চান্দমামা

ফেব্ৰুৱাৰি ১৯৯৭





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

अब सिलाई-के-लिये तैयार जीन्स के सबसे बड़े निर्माता की एक छोटी-सी पेशकश.

पेश हैं रफ़ एण्ड टफ़ जूनियर जीन्स ! रफ़ एण्ड टफ़ किट में आपको मिलेगा पूरा .85 मीटर बेहतरीन डेनिम कपड़ा (132 सें.मी. तक के कद के लिये), तगडी ज़िप, शानदार लेबल, रिवेट्स, बटन और पैचेस. यानी अब जूनियर भी बन सकते हैं रफ़ एण्ड टफ़.

Trikaya Grey AML. 5.96 HIN

RUF AND TUF ™

A QUALITY PRODUCT FROM ARVIND MILLS

JUNIOR

सिलाई-के-लिये-तैयार जीन्स

চান্দমামা

*

ফেব্রুৱাৰি ১৯৮৭

এই * আছে

সংখ্যাত

*

ক্ষুধাৰ কাব্য	:	৯	সোণালী তুৱাৰ	:	৪১
তাম-ভুতৰ ভোজবাজী	:	১০	মহাভাৰত	:	৪৫
হাড়ত-খোৱা	:	১৬	চান্দমামাৰ চিংফৌ নাভল	:	৫২
ৰূপধৰৰ যাত্ৰা	:	১৭	চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
ভগৱান-ভৰসা	:	২৩	মূতুৰা	:	৫৬
প্ৰেম	:	২৫	আখা ইচ্ছাই চৰু	:	৫৭
সাগৰৰ পাৰে পাৰে	:	৩৩	সপোন আৰু জীৱন	:	৬২
মানপূজাপহাৰা	:	৩৭	ফটো-প্ৰতিযোগিতা	:	৬৬

*

চান্দমামা : খনে: ৬'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৭২'০০ টকা মাথোন

प्रिमियर कैमरा



- 35 MM Compact Camera
- 36 रंगीन एवं ब्लैक एण्ड व्हाइट फोटो देनेवाला
- फ्लैश-अटैचमेंट सिस्टम
- उपहार के लिये श्रेष्ठ

कीमत में भारी छूट 750/- रु. वाला अब केवल 450/- रु. में उपलब्ध। डाक-खर्च 30/- रु.। पसंद न आने पर कीमत वापस।

007 टॉय रिवालवर

बिल्कुल नई तकनिक

लाइसेंस आवश्यक नहीं

जानवरों, पक्षियों एवं चोरों से अपनी आत्म-रक्षा हेतु तथा नाटक, पिकनिक आदि के लिये 7 राउन्ड ऑटोमैटिक रिवॉल्वर। कीमत 200 रु. डाक खर्च 30/- रु.

100 बुलेट एवं स्पेशल वेल्ट-केश मुफ्त

नापसंद आने पर कीमत वापस

दोनों सामान एक साथ मंगाने पर डाक खर्च मुफ्त

VIVEK TRADERS (CV)

P.O. MAIRA BARITH (GAYA)



Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

বিদ্যালয়ত ৰাজনৈতিক অনুপ্ৰবেশ বন্ধ কৰিবলৈ

ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ পক্ষেও ১৯৯৬ চনটো বহু দিনলৈ এক উল্লেখযোগ্য চন হৈ থাকিব। কিয়নো, আমাৰ দেশৰ এখন ৰাজ্যৰ উচ্চ ন্যায়ালয়ে 'বিদ্যালয়ত ৰাজনীতি'ৰ প্ৰবেশত নিষিদ্ধতা জাৰী কৰি এক অভাৱিত আদেশ প্ৰদান কৰিলে। আদেশত—ৰাজনৈতিক দলসমূহক বিদ্যালয়ত তেওঁলোকৰ কাৰ্য্যক্ৰমৰ প্ৰয়োগ নকৰিবলৈ কোৱা হৈছে। এতিয়া, অন্যান্য ৰাজ্যয়ো নিশ্চয় আজি হওক বা কালিলৈ এই পথ অৱলম্বন কৰিব।

ভাৰতৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ইউনিয়নৰ নিৰ্বাচনতো সাধাৰণ নিৰ্বাচনৰ দৰে হিংস্ৰতাৰ, কৌশলৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। ছাত্ৰ-ইউনিয়নৰ নিৰ্বাচনতো ৰাজনৈতিক দলসমূহে প'ষ্টাৰ, হাণ্ডবিল, ব্যানাৰ, যানবাহন আনকি নগদ টকাৰেও সহায় কৰা এতিয়া এক অতি সাধাৰণ ঘটনা—যাৰ ফলত বিভিন্ন ছাত্ৰ-ইউনিয়নে ওঁৰিয়াওঁৰি কৰাৰ সুবিধা পাইছে। ৰাজনৈতিক সহায়তা বিনে ছাত্ৰ-ইউনিয়নৰ যি-নিৰ্বাচন কেৱল ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ বুদ্ধিমত্তা, যোগ্যতা আৰু সততাৰ ভিত্তিত অনুষ্ঠিত হ'লহেঁতেন, সেই সৱল নিৰ্বাচনেই সাম্প্ৰতিক কালত অসৱল-অসহিষ্ণু এক অবাঞ্ছিত ওঁৰিয়াওঁৰিত পৰ্য্যৱসিত—এয়া অত্যন্ত দুখৰ কথা, চিন্তনীয় কথা।

হাইকোৰ্টে এই বিষয়ে বিদ্যালয়-কৰ্তৃপক্ষক 'দহ অনুশাসন'ৰ যোগে যি ক্ষমতা প্ৰদান কৰিলে, সেই ক্ষমতাৰ বলত বিদ্যালয়-কৰ্তৃপক্ষই প্ৰয়োজন বোধ কৰিলে ছাত্ৰ-ইউনিয়নৰ নিৰ্বাচনত সংঘৰ্ষ বন্ধ কৰিবলৈ শান্তি-ৰক্ষক বাহিনীৰ (পুলিচ) সহায়তাও ল'ব পাৰিব। যদিও—শান্তিৰক্ষাৰ প্ৰধান আৰু প্ৰাথমিক দায়িত্ব যে ছাত্ৰ-ছাত্ৰী-সকলৰ বিবেচনাবোধৰ ওপৰত, সেই কথাও আদেশত কোৱা হৈছে।

ছাত্ৰ-ছাত্ৰীসকল সজাগ হওক।

বছৰ : ২১   ফেব্ৰুৱাৰি ১৯৯৭   সংখ্যা : ১১

খনে ৬'০০ টকা :: বছৰেকীয়া বৰঙনি ৭২'০০ টকা

‘ସଚିତ୍ର ବିଜୟା’ : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ମହିଳା ବିଶେଷାଂକ : ଫେବୃଆରୀ ସଂଖ୍ୟା



ମୁଖ୍ୟ ପ୍ରସଂଗ :ଓଡିଶାର ରାଜନୀତିରେ ନାରୀ, ଧାରାବାହିକ ଉପନ୍ୟାସ : ମନୋଜ ଦାସଙ୍କ ‘ଆକାଶର ଇସାରା’, କବି ଓ କବିତା : ବନଜ ଦେବୀ, ଅନ୍ତରାଗ : ଚିକିଟିର ରାଣୀ ସାହେବା, ମୁ ମୋ ବାପାଙ୍କୁ ଯେପରି ଜାଣେ : ଅଖିଳ ମୋହନ ପଟ୍ଟନାୟକ, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଂଗରେ ଓଡିଶାର ଅନନ୍ୟ ନାରୀ ପ୍ରତିଭା ଠାରୁ ରଂଗୀନ ଦ୍ୱିପତ୍ର : ଶିଳ୍ପୀ ନୟନରେ ନାରୀ ଯାଏ ବହୁ ବିଚିତ୍ର ବର୍ଣ୍ଣବିଭା ।

୮୪ ପୃଷ୍ଠାର ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ମହିଳା ବିଶେଷାଙ୍କର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ ‘ଜହ୍ନମାମୁଁ’ ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

পৃথিৱীৰ খিৰিকীৰে

ক্ষুধাৰ কাব্য

ইতালিদেশৰ ৰাজধানী ৰোম নগৰত যোৱা নৱেমবাৰ মাহত 'বিশ্ব-আহাৰ সন্মিলন' তথা 'ক্ষুধাৰ বাবে খাদ্য'-সন্মিলন অনুষ্ঠিত হৈ গ'ল, য'ত ১৯-খন দেশৰ প্ৰতিনিধি সন্মিলিত হৈছিল।

এই মহতী সন্মিলনত আমাৰ ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীদেৱেগৌড়াদেৱো উপস্থিত আছিল, আৰু তেওঁ ২০০০ চনৰ আগতেই বিশ্বৰপৰা খাদ্যাভাৱ নোহোৱা কৰিবলৈ সদৌটি সন্মিলকৰ ওচৰলৈ আবেদন জ্ঞাপন কৰিছিল।

আজিৰ দিনতো, বিশ্বৰ আশী কৌটি নৰ-নাৰী ক্ষুধাৰ ভয়াবহ যাতনাৰ চিকাৰ। এই সভাই ঘোষণা কৰিছে যে—অহা বিছ বছৰৰ ভিতৰত ক্ষুধাতুৰসকলৰ এই সংখ্যাক কমেও আধা কৰিব লাগে। কৈ থ'ব পাৰি, বিছ বছৰৰ আগেও এনেহেন সন্মিলন পতা হৈছিল, আৰু সেই সন্মিলনৰপৰাও একেই একেই ঘোষণাও কৰা হৈছিল। কিন্তু ভোক আৰু ভোকাতুৰ একেদৰেই আছে।

এই কথাষাৰ এক তিক্ত সত্য যে—ক্ষুধাৰে পীড়িত হৈ সদায়েই প্ৰচুৰসংখ্যক নৰ-নাৰী-শিশুৰ নিৰন্তৰ মৃত্যু হৈ আছে। গতিকে—বৰ্তমান সন্মিলনৰ ঘোষণামতে অহা বিছ বছৰতো কিবা সমিধান হ'বনে?

খাদ্যৰ ইমান অভাৱৰ হেতুনো কি?

এই প্ৰশ্নৰ বহুবিধৰ উত্তৰ। যেনে—প্ৰয়োজনৰ জোখাৰে খাদ্য-উৎপাদন নহয়, উৎপাদিত খাদ্যৰ বণ্টন-বিতৰণ সুষ্ঠুভাৱে সম্পন্ন কৰাৰ বন্দবস্ত নাই—এই হেতু দুটায়েই খাদ্যভাৱৰ ঘাই। আৰু—বিশ্বত মানৱকুলৰ বৃদ্ধিৰ লগে লগে বসতিৰ কাৰণে খেতিৰ তথা খেতিমাটিৰ হ্ৰাসো অন্যতম প্ৰধান হেতু বুলি কোৱা হয়।

আমাৰ দেশত, ভাৰতত, চৰকাৰে সঠিক মূল্যত খাদ্যৰ যোগান ধৰাৰ বাবে ৰেশ্যনিঙৰ প্ৰৱৰ্তন কৰিছে। তাৰ ফলত আৰ্থিক দিশৰপৰা পিছপৰা শ্ৰেণীৰ নৰ-নাৰীৰ নিশ্চয় কিছু-কিঞ্চিত সুবিধা হৈছে। কিন্তু তথাপি ক্ষুধাতুৰসকলৰ ক্ষুধাৰ সমস্যাৰ সমাধান হৈছে বুলি ক'ব নোৱাৰি।

এই কথা নিৰ্দ্বিধাই ক'ব পাৰি যে—খাদ্যবস্তুৰ সঠিক উপযোগ নকৰাৰ আঁৰত কিছুমান নিৰ্মম কাৰণো বিদ্যমান। যেনে কিছুমান দেশত উদ্বৃত্ত খাদ্য-দ্ৰব্য সাগৰত পেলাই দিয়া হয়। এই অতিশয় নিৰ্মম নিন্দনীয় কাৰ্য্যৰ আঁৰত আছে—খাদ্য-শস্যৰ অধিক মূল্য পোৱাৰ কৌশল। কেৱল ব্যৱসায়িক দৃষ্টিয়েই হ'ল এই অন্যায়ৰ গুৰিকথা।

Food for all

WORLD FOOD SUMMIT

গতিকে ৰোমৰপৰা ওলোৱা ঘোষণাক চালি-জাৰি চালে—কেৱল ঘোষণাৰ কাৰণে ঘোষণা যেন লাগে। কিয়নো—ক্ষুধাতুৰৰ ক্ষুধাৰ নিবৃত্তিৰ বাবে কোনোবা দেশৰ ওপৰত কাৰ্য্যকাৰীভাৱে কৰ্তব্য আৰোপ কৰাৰ টুঁ-শব্দটিও এই ঘোষণাত নাই।

এতেকে—'ক্ষুধাৰ বাবে খাদ্য'—এই লক্ষ্যক ধিয়াই আগ বাঢ়িবলৈ হ'লে আমাৰ প্ৰথম খোজ হ'ব লাগিব—খাদ্যৰ অপচয় বন্ধ কৰা, আৰু জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ক্ষুধাতুৰক সহায় কৰা।

তাম-ভূতৰ ভোজবাজী

ৰামৰতন আছিল মদপী মানুহ। মদৰ কবলত পৰি ৰামৰতনে তাৰ মাটি-বাৰী ঘৰ-দুৱাৰ বেচিলে যে বেচিলেই—আনকি তাৰ তাৰ একমাত্ৰ ল'ৰা যতনকো নমনৰ ওচৰত একপ্ৰকাৰে বেচিয়েই দিলে — কিয়নো যতনক নমন নামৰ ধনেদি মৰিশালি সজাৰ ওচৰত গোলামী খাটিবলৈ দিলে। তাৰ পাছত হঠাৎ এদিন ৰামৰতন মৰিল।

দেউতাকৰ দাহ-কাম কৰাৰ অন্তত এদিন যতনে তাৰ মালিক নমনক ক'লে, “মালিক, ইমান দিন ধৰি আপুনি মোক যেনেকৈ যি সহায়-তহায় কৰিলে, ভুলে-পাহৰণেও নেপাহৰোঁ। মা বহুদিনৰ আগতেই ঢুকাল, এতিয়া দেউতাও গ'লগৈ। ইয়াত আৰু মোৰ থকাৰ মন নাই। মই কোনোবা ঠাইলৈ গুচি যাম।”

নমনে পুতৌ দেখুৱাই চুকচুকাই ক'লে, “যতন, বাপুহে, তোমাৰ মনৰ অৱস্থাৰ বুজ—মই নোপোৱা নহয়—পাইছোঁ। কিন্তু মোৰ অৱস্থাৰ কথাৰ বুজও তুমিও পাব আৰু ল'ব লাগে। তোমাৰ দেউতাৰাই মদৰ মৰ-কামোৰত পৰি মোৰ ওচৰত তেওঁৰ সকলো সা-সম্পত্তি বেচি দিছিল, তোমাকো।

“তোমাৰ দেউতাৰাই তোমাক মোৰ ওচৰত দিছিল—গোলাম হিচাপে। কিন্তু সেই বুলি মই তোমাক তেনেকৈ ভবাও নাছিলোঁ, নাভাবোঁও। মই এতিয়া তোমাক খাবলৈ-পিন্ধিবলৈ দিম। তুমি আমাৰ ঘৰখনৰ আৰু খেতি-বাতিৰো কাম-কাজকণ চম্ভালি থাকিলেই হ'ল, বহু। কিন্তু এতিয়া যদি মোৰ কামত

তোমাৰ মন নোহোৱা হৈছে— তুমি মাত্ৰ তিনিটা কাম কৰি দিলেই মই তোমাক মুকলি কৰি দিম।"

যতনে সুধিলে যে সেই মাত্ৰ তিনিটা কি কি কাম।

নমনে ক'লে, "গাঁৱৰ উত্তৰ দিশত থকা মোৰ—বিছ হালিচামান ছনপৰা মাটি তুমি সাৰুৱা কৰি দিবা।

"কেনেকৈ কৰিম? এয়া এক অসম্ভৱৰো অসম্ভৱ কথা।" যতনে ক'লে।

"শুনা, মেহনত কৰিলে — অসম্ভৱ বোলা কোনো কথা নাই। মেহমনীয়া মানুহেহে মেহনতলৈ ভয় কৰে। তোমাৰ শৰীল-চাইস্থ্য দহটা বাঘে ছিঙি খাব নোৱৰা। কিয় নোৱাৰিবা? পাৰিবা। অৱশ্যে—এই কামকণ কৰা-নকৰা তোমাৰ কথা। মন নগ'লে নকৰিবা।" নমনে নালে-পাতে বাবলৈ চেষ্টা দিলে।

গোলামীৰপৰা মুক্তিৰ আশাৰে যতনে বহুদিন ধৰি সেই ছনপৰা মাটি খান্দি থকাৰ পাছত এদিন যতনে মাটিৰ তলত এটা তামৰ কলহ পোত খাই থকা দেখা পালে। অবাক হৈ পৰা যতনে তামৰ কলহৰ ঢাকনিখন দেখামাত্ৰেই কলহৰপৰা ধোঁৱা ওলাই থাকিল, আৰু ক্ৰমে ক্ৰমে সেই ধোঁৱাৰপৰা এটা প্ৰকাণ্ড ভূত যতনৰ সমুখত থিয় হ'ল। ভূতটোৱে যতনক সুধিলে, "তোমাক কি লাগে, কোৱা। তোমাৰ যেইকোনো ইচ্ছা মই পূৰাম।"

যতনে ভূতটোক সুধিলে, "তুমি কোন?"

"মই তাম-তুলসী নমনা তামা-কাঁহা দেখুৱাৰ পৰা অদ্ভূত ভূত। যেই কোনো



ASS·F-2

প্ৰকৃত সৎ লোকক সহায় কৰিবলৈ মই সাজু।" ভূতটোৱে ক'লে।

"তুমি এই তামৰ-কলহৰ ভিতৰত আছিলা কিয় ?" যতনে নিডৰে সুধিলে।

এই কথাত তোমাৰনো কি লাভ ? তুমি মোৰপৰা সহায় লোৱা আৰু সুখেৰে জীৱন কটোৱা।" ভূতটোৱে ক'লে।

মুহূৰ্তমানলৈ মনে মনে থকাৰ পাছত যতনে ক'লে, "তেনেহ'লে কওঁ, শুনা। মই হ'লোঁ এটা গোলাম। মই গোলামীৰপৰা মুক্তি লভিবলৈ সময়লৈ বাট চাই আছোঁ। —কিন্তু তুমিও—যি দেখিছোঁ—তোমাৰ কলহৰ গোলাম। গতিকে—গোলামে গোলামৰপৰা সহায় খোজাটো একপ্ৰকাৰে পাপ হ'ব বুলি মোৰ ধাৰণা হৈছে।"

"তুমি সঁচাসঁচিকৈয়েই সৎ মানুহ। কেৱল আত্মস্বাৰ্থ পূৰাবৰ ইচ্ছা তোমাৰ নাই। এতিয়া মোৰ কাহিনী শুনা।

"বহু বহু দিনৰ আগৰ কথা। তেতিয়া শীতলপুৰত দুৰ্জয় নামৰ এজন বেপাৰী আছিল। দুৰ্জয় আছিল অতি স্বাৰ্থপৰ ধূৰ্ত লোভী। দুৰ্জয়ে আনকি তাৰ পৰম বন্ধু গোপীকো ঠগিবলৈ দ্বিধা কৰা নাছিল।

পাছত গোপীয়ে কেইবাবছৰো ধৰি একেৰাহে তপস্যা কৰি অলৌকিক শক্তি আৰ্জিছিল, আৰু এদিন দুৰ্জয়ক কৈছিল, "দুৰ্জয়, তুমি তোমাৰ জীৱনতে ঢেৰ পাপ কৰিলা। আমাৰ একালৰ বন্ধুত্বৰ কথা সুঁৱৰি তোমাক মই পাপমুক্ত কৰাৰ উপায় দিছোঁ। এই যে তামৰ কলহটো দেখিছা, এই তামৰ কলহটো হ'ল অতি মহিমাৱান। কলহটো ছুই আৰু কেতিয়াও পাপ নকৰিবা বুলি যদি শপত খোৱা-- তৎক্ষণাৎ পাপমুক্ত হ'ব পাৰিবা।"

দুৰ্জয়ে গোপীক ক'লে, "তেনেহ'লে— এই কলহটো মোক দি তুমি পুনৰ জংগললৈ গুচি যোৱা।"

গোপীয়ে দুৰ্জয়ৰ এই কথা নামানিলে। তেতিয়া দুৰ্জয়ে কলহটো গোপীৰপৰা বলেৰে কাঢ়ি ল'লে। আৰু লগে লগেই দুৰ্জয় সেই অলৌকিক শক্তিসম্পন্ন তামৰ কলহত বন্দী হৈ পৰিল।

গোপীয়ে দুৰ্জয়ক ক'লে, "মই বন্ধুত্বৰ

কথা সুঁৰৰি তোমাক পাপমুক্ত কৰিব খুজিছিলোঁ। কিন্তু নিজেই প্ৰমাণ কৰিলা যে— পাপমুক্ত হোৱাৰ ভাগ্য তোমাৰ নাই, আৰু তুমি ঘোৰ পাপী। যি কি নহওক—ঈশ্বৰৰ ইচ্ছানুসাৰে এই তামৰ কলহ এতিয়াই মই মাটিৰ তলত পুতি থ'ম। যদি তোমাৰ মাজত কোনোবাদিনা সৎবুদ্ধি জাগ্ৰত হয়, সেই দিনা তুমি নিশ্চয় কোনোবা এগৰাকী সৎ লোকৰ সাক্ষাৎ পাবা। সেই সৎ ব্যক্তি গৰাকীক তুমি সৰ্ব-শক্তিৰে সহায় কৰিবা। তেতিয়হে তুমি এই প্ৰেত-জীৱনৰপৰা মুক্তি পাবা।

যতনে এইখিনিতে কৈ উঠিল, "তাৰ মানে— তুমিয়েই সেই দুৰ্জয়। নহয় জানো?—এতিয়া মোৰ কাহিনী শুনা।" যতনে তাৰ নিজৰ কাহিনী দুৰ্জয়ক ক'লে।

তাম-ভূতটোৱে ক'লে, "শুনা, মহিমাৰান তামৰ কলহত মই বন্দী, হয়; তথাপি সেই কলহৰপৰা পোৱা অপাৰ অলৌকিক শক্তিৰো মই অধিকাৰী। সেই ছনপৰা মাটিক সাকুৰা কৰি তোলাটো— মোৰ এক টিলিকিৰ কাম।"

এই বুলি কৈয়েই তাম ভূতে সাঁচা-সাঁচিকৈ টিলিকি এটা মাৰি দিয়াৰ লগে লগেই বিছ হালিচাৰ ছনপৰা মাটিভৰা বিধোবিধ শস্যেৰে সেউজ বুলীয়া হৈ উঠিল।

অবাক দৃষ্টি মেলি এই অভাৱিত দৃশ্যলৈ চাই যতনে তাম-ভূতক সুধিলে, "কোৱাঁ, এতিয়া মই কি কৰিম।"

"শুনা, তোমাৰ মালিকক মোৰ কথা একোৱেই নক'বা। মই পুনৰ এই তামৰ কলহৰ ভিতৰতে সোমাই থাকিম। তুমি

তোমাৰ মালিকক সোধাগৈ যে আন দুটা কাম কি কাম।" তাম-ভূতে ক'লে।

যতন নমনৰ কাষ চাপিল আৰু ছনপৰা মাটিখিনি সাৰুৱা কৰি তোলাৰ কথা নমনক ক'লে। শুনি—নমনৰ ভ্ৰুক-যুৰি কোঁচ খাই পৰিল আৰু তেতিয়াই খৰকৈ তালৈ গ'ল।

এই বিচিত্ৰ— ঘটনাৰে বহু পৰলৈ একেথিৰে চাই থকাৰ অন্তত নমনে যতনলৈ ঘূৰি চালে আৰু ক'লে, "যতন, তুমি — তুমি সাধাৰণ মানুহ নহয়। তোমাৰ যদি অলৌকিক শকতি নাই— কেনেকৈনো এই অসম্ভৱ সম্ভৱ হ'ল?"

"কওক, আপোনাৰ দ্বিতীয় কাম কি?" যতনে সুধিলে।

নমনে তেওঁৰ গামোছাখন মাটিত পাৰি দিলে আৰু ক'লে, "এইখন সোণৰ মোহৰেৰে ভৰি দিয়া।"

যতনে এই কথা ভাবি কিঞ্চিত প্ৰমাদ গণিলে যে — এতিয়া তাম-ভূতক নামাতিলেও উপায় নাই, অথচ—তাক সেই তাম-ভূতে তাৰ চিনাকি নিদিবলৈ তাক দঢ়াই দঢ়াই কৈছিল।

কিন্তু ইতিমধ্যেই নমনৰ গামোছাখন সোণৰ মোহৰেৰে ভৰি পৰাত নমনে তো হয়েই, যতনেও অবাক মানিলে।

তেতিয়া যতনে নমনক সুধিলে, "এতিয়া কওক, আপোনাৰ তৃতীয় কাম কি?"

নমনে একো ক'বলৈ নৌপাওঁতেই নমনৰ একমাত্ৰ ছোৱালী নবীনাই কৈ উঠিল, "তুমি মোক বিয়া কৰাবা—এয়ে হ'ল তোমাৰ তিত্তীয় কাম।"

"বাৰু, কৰাম বিয়া। কিন্তু তাৰ আগতে মোক গোলামীৰপৰা মুক্তি লাগে।" যতনে নমনলৈ চালে।

যতনৰ এই কথাৰ উত্তৰত নমনে যতনলৈ ভ্ৰুক কোঁচাই চাই ক'লে, "কিছু-কিঞ্চিত জাদু-টাদু জানিলা বুলিয়েই মোৰ জোঁৱাই হ'বা—সেই কথা নহৈছে! এই কথাটো নেপাহৰিবা যে— তুমি এতিয়াও মোৰ গোলাম। পিয়াহ-দঁতা ছোৱালী এজনীয়ে কি ক'লে-নক'লে —তাৰ কোনো গুৰুত্ব নাই—অৰ্থ নাই।

তোমাৰ তৃতীয় কাম হ'ল—ওৰেজীৱনলৈ মোৰ লগত থাকিব—এনেকুৱা গোলাম এটা মোক দিব লাগিব। ইচ্ছা হ'লে তুমিও থাকিব পাৰা, নহ'লে ঠিক মোৰ মনৰ মতন ভালৰো ভাল গোলাম এটাৰ বন্দৰস্ত কৰি দিয়া।"

নমনৰ ছলাহী কথাৰ ছল-চন্দ যতনে ঠাৰৰ কৰিব পাৰি ক'লে, "ডাঙৰীয়া, আপোনাক এজন গোলামহে লাগে, হয়নে নহয়? 'আপোনাক' লাগে মানে—যিজন নমনৰ দেহাত জীৱ আছে—সেই জীয়াই থকা নমনজনকহে লাগে।"

নমনে "ওঁ, ওঁ' বুলি ক'লে।

তেতিয়া যতনে ক'লে, "বৰাৰু, সেয়ে হ'ব। কিন্তু মই যদি 'আপোনাক' গোলাম এটা দিওঁ—মোক কিন্তু মুক্তি দিব লাগিব!"

নমনে যতনৰ চৰ্ত মানি ল'লে।

তেতিয়া নবীনাই তাইৰ বিয়াখন হৈ গ'ল বুলিয়েই ভাবি আছিল। তাই লাজতে তলমূৰ হৈ তাৰপৰা গ'লগৈ।

যতনে নমনক ক'লে, "আপুনি কেই-ক্ষন্তেকমান ৰওক, মই এতিয়াই সকলো বন্দৰস্ত কৰিছোঁ।"

যতনে তাম-ভূতক সকলো কথা ক'লেগৈ। যতনে তাম-ভূতক পুনৰ ক'লে, "নমন হ'ল ধূৰ্তৰো ধূৰ্ত। সি মানুহৰ সমাজত থকাৰো অযোগ্য। তুমি পাপমুক্ত হ'লা, আৰু পুনৰ সৎ মানুহৰ অধিকাৰ লভিলা। এতিয়া—তামৰ কলহত তোমাৰ সলনি নমনক সোমোৱা হয় যদি—কেনে দেখা? তুমি সৎ জীৱন যাপিবা,আৰুময়ো গোলামী এৰি মুক্ত জীৱন যাপিম।"

তাৰ পাছত—তাম-ভূত আৰু যতনে মিলি নমনক তামৰ কলহৰ ভিতৰত সুমুৱাই দিলে, আৰু দুয়ো গোলামীৰপৰা মুক্তি লাভ কৰিলে।

যতনে তাৰ কথাত বৈছিল, সি নমনৰ ছোৱালী নবীনাক বিয়া কৰাইছিল, আৰু আগলৈ মুক্ত জীৱন যাপন কৰিছিল।

হাড়ত-খোৱা

নৈপৰীয়া নৰোত্তমপুৰ গাঁৱৰ খেতিয়কইতৰ মাজত বনৰাজ আছিল ধনৰাজ। কিন্তু ধনৰাজ হ'লে কি হ'ব—বনৰাজ আছিল বৰ কটকিনা।

এদিন ধনৰাজ বনৰাজৰ ধানভঁৰালত এটা সাপ সোমাল, আৰু সাপটো ধানৰ বস্তাবিলাকৰ মাজতে বাহ ল'লেগৈ। চাকৰ এটাই সাপৰ কথা কোৱাত বনৰাজে চাকৰটোক ক'লে, "যা যা—মাৰপৈ, মাৰি বাহিৰলৈ দলিয়াই পেলাগৈ যা।"

"মালিক, এই সাপ মামুলি সাপ নহয়, একেবাৰে আঁচল সাপ—ফেঁটী। মই মাৰিব নোৱাৰিম। কয় যদি—সাপধৰা সনকক মাতি আনোগৈ।'

বনৰাজে 'বনৰাজে 'হয়'ৰ ভাৱত মূৰ কাতি কৰাত চাকৰটোৱে সাপধৰা সনকক মাতি আনিলেগৈ, আৰু সনকে তুৰন্তে সাপটোক ধৰি তাৰ সাপৰখা পাচিত ভৰাই পেলাই বনৰাজৰপৰা দহটকা খুজিলে।

সনকৰ কথা শুনি বনৰাজে চকু পকাই সনকক ক'লে, "কি—ঈ? সাপটোক ধৰাত তোৰ মাত্ৰ দহ মিনিটমান লাগিল—আৰু দহমিনিটতে তোক দহ টকা দিব লাগিবনে?"

"ঠিক আছে, নিদিব। নিজৰ সাপ তেন্তে নিজেই ধৰক।" এই বুলি কৈ, সনকে সাপটোক পাচিৰপৰা এৰি দিলে, আৰু সাপটো পুনৰ ধানৰ বস্তাৰ আঁৰতে বাহ ল'লে।

তেতিয়া বিপদ গমি বনৰাজে সনকক ক'লে, "হাৰে! তয়ো যে তই! সাপটোক পুনৰ ধৰি আন, দহ টকাকে দিম।"

সাপধৰা সনকে ক'লে, "এইবাৰৰ দহ আৰু যোৱাবাৰৰ দহ—এই বিছ টকা লাগিব কিন্তুক।"

শুনি ধনৰাজ বনৰাজ ৰদেহাৰ হাড়কিডালি গুড়ি হোৱা যেন লাগিল।

দ্বিতীয়বাৰ সাপটোক ধৰি পাচিত ভৰোৱাৰ পাছত বনৰাজে সনকক বাধ্যত পৰি বিছ টকা দি ক'লে, "এইদৰে মিনিটেপ্ৰতি এটকাকৈ মাননী পাই থাকিলে আমি দেখোন হাড়ত-খোৱা হৈ পৰিম!"



১৮

[আগৰ কথা : অৱশেষত ৰূপধৰৰ লক্ষ্য তথা মনৰ ইচ্ছা পূৰিল। তেওঁৰ অট্টালিকাত থলি পুতি থকা দুষ্ট-লোভী কামাতুৰ মদপী ৰাজকোঁৱৰহঁতক ৰূপধৰে বাধাতপৰি এফালৰপৰা হত্যা কৰিলে। কেৱল দেহৰ শক্তিৰেই নহয়, যথোচিত ন্যায়ৰ যুক্তিৰে আৰু মহাদেৱী বুদ্ধিমতী-দেৱীৰ প্ৰত্যক্ষ অনুগ্ৰহেৰে ৰূপধৰে এই কাম অতি তৎপৰতাৰে সমাপিলে। কিন্তু দুষ্ট-ধূৰ্ত-লোভী ৰাজকোঁৱৰহঁতৰ কবলৰপৰা মুক্তিলাভ কৰাৰ পাছতো ৰূপধৰৰ সৰ্বসমস্যাৰ ওৰ নপৰিল। ৰূপধৰ চিন্তিত-বিব্ৰত হৈ থাকিল। আৰু তাৰ পাছত···]

পদ্মমুখী তেতিয়া তেওঁৰ শয়নকক্ষত শুই আছিল। হঠাৎ অতি দ্ৰুততাৰে বহুকীৰ্তি পদ্মমুখীৰ শয়নকক্ষলৈ সোমাই আহিল, আৰু ক'লে, "কিয়নো আৰু শুই আছা? তোমাৰ পতি-দেৱতা যে আহিল —তুমি জনা নাইনে? তেওঁ দুষ্টহঁতক সংহাৰ কৰিলে। এতিয়া আকৌ তোমাৰ দিন।"

কিন্তু—তথাপি পদ্মমুখীৰ মনৰপৰা সন্দেহ নুগুচিল। পদ্মমুখীয়ে বহুকীৰ্তিক ক'লে, "ঈশ্বৰৰ বিচিত্ৰ লীলা বুজাৰ শকতি আমাত নাই। ব'লা, চাই আহোঁগৈ সেইজনক, যিজনে দুষ্টৰ সংহাৰ কৰি আমাক নিস্তাৰ দিলে।"

পদ্মমুখী ৰূপধৰৰ সমুখতে এখন চকিত বহিলগৈ, কিন্তু তেওঁ কোনো এযাৰ কথাও নক'লে। পদ্মমুখীৰ আচৰণত ৰূপধৰ বিস্মিত হ'ল।

এই অৱস্থালৈ চাই ধীৰধৰে কৈ উঠিল,

'দুখৰ অন্তত সুখৰ সূৰুয'

“মা, তুমি নিশ্চয় নিষ্প্ৰাণ শিলৰ মূৰ্তি নহয়। দেউতাৰ সৈতে মাত-বোল নকৰা হ'লা কিয়—বুজাই ক'বানে ?”

“কিনো ক'ম, বোপা? এওঁ যদি তোৰেই পিতৃ—লাজৰ কথা হ'লেও কওঁ—এওঁক চিনি পোৱা নাই। আমাৰ ঘৰত এনেহেন কিছুমান ৰহস্যময় কথা আছে—যিকথা কেৱল আমি দুয়োহে জানো।” পদ্মমুখীয়ে ক'লে।

ৰূপধৰে তেওঁৰ পুত্ৰক ক'লে, “বোপা, তেনেবোৰ কথাৰে তোমাৰ মাৰাক দুখ নিদিবা। তেওঁ মোৰ পৰীক্ষা লওক—মোৰ আপত্তি নাই। পৰীক্ষা ল'লেই তেওঁ সহজতেই মোক চিনি পাব। যি কি নহওক—আমি আমাৰ কৰ্তব্যকৰ্মখিনি পাহৰিলে কিন্তু নহ'ব। আমিইথাকাৰ ইমানবোৰ ৰাজকোঁৱৰক হত্যা কৰিলোঁ। যে—সেই কথাত হৈ-হুলস্থূল হ'বই। গতিকে—মোৰ কথা মনপুতি শুনা, আৰু সেই মতে কাম কৰা। আমাৰ ঘৰত বিৰাটকৈ নৃত্য-গীতৰ বাদ্যভাণ্ডৰ আয়োজন এতিয়াই কৰাঁ, যাৰ ফলত ইয়াত আনন্দৰ সোঁত বৈ যাব, আৰু ইয়াত হোৱা হত্যা-কাণ্ডৰ কথা এতিয়াই প্ৰকাশ নহ'ব। আৰু—এই বাদ্যভাণ্ড নৃত্য-গীত চলি থাকোঁতেই আমি এই নগৰ এৰি অৰণ্যলৈ যাম। ইয়াৰপৰা গুচি যাব লাগিবই।”

ৰূপধৰৰ কথা মতেই বাদ্য-নৃত্য চলি থাকিল। ৰূপধৰৰ অট্টালিকাৰ বাহিৰে থিয় হৈ ৰাইজে কোৱাকুই কৰি থাকিল, “পদ্মমুখীৰ বিয়াৰ আয়োজন—অৱশেষত চলিছে যেন পাইছোঁ। দোষও নাই—বেচেৰীয়ে বাৰু আৰুনো কিমান কাল এইদৰে অকলশৰে কটাব ?”

ৰূপধৰে পদ্মমুখীক ক'লে, “তুমিনো কেনেকুৱা তিৰোতা? বিছ বছৰৰ অন্তত পতি ফিৰি আহিল—অথচ তোমাৰ মুখত নাই! কথানো কি?” “তাৰ পাছত ৰূপধৰে ঘাই লিগিৰী “বহুকীৰ্তি, মোক বিছনা পাৰি দিয়াচোন, মই শুম।”

পদ্মমুখীয়ে বহুকীৰ্তিক ক'লে, “এওঁৰ পালেংখন ইয়ালৈ লৈ আহাঁ, আৰু পালেঙৰ ওপৰত কম্বল পাৰি দিয়া।”

পদ্মমুখীৰ কথা শুনামাত্ৰেই ৰূপধৰৰ খং উঠিল। ৰূপধৰে ক'লে, "মোৰ পালেংখন কোনে দাঙিছিল, আৰু ক'ত থৈছে? মোৰ পালেং দাঙিবইবা কেনেকৈ?

ৰূপধৰৰ পালেঙৰ এটি কাহিনী আছে। এই অট্টালিকা সাজোঁতে ৰূপধৰৰ শয়নকক্ষ সাজিবলগীয়া ঠাইডোখৰত এজোপা ডাঙৰ আওপুৰণি গছ আছিল। সেই গাছজোপা কটা হৈছিল, কিন্তু গছজোপাৰ মূঢ়া উঘালি পেলোৱা নাছিল আৰু সেই মূঢ়াৰে সৈতে পালেংখন সজা হৈছিল। পদ্মমুখীয়ে জানি-বুজিয়েই পালেং দঙাৰ তথা অইনত থৈ দিয়াৰ কথা কৈছিল, আৰু এই মানুহজনে কথাটো জনাত মানুহজন যে ৰূপধৰেই—সেই কথাত নিঃচিন্ত হৈছিল।

এইবাৰ পদ্মমুখীয়ে ৰূপধৰৰ হাত দুখন নিজৰ হাতত লৈ বৰ আকুলভাবে ক'লে, "মোৰ ওপৰত ৰাগ নকৰক। মই সদায় এই কথা ভাবি ভীত হৈ আছিলোঁ। যে—বিছ বছৰৰ অন্তত কোনোবাই পতিৰ ভেশছন ধৰি মোক প্ৰতাৰণা কৰিবৃহি পাৰে। এই ভয়তে—একমাত্ৰ এই ভয়তে মই তেনেহেন আচৰণ কৰিছিলোঁ।"

আৰু লগে লগে ৰূপধৰে পদ্মমুখীক আকুলতাৰে আঁকোৱালি ল'লে। ৰাতিৰ পৰতে পদ্মমুখীয়ে পতি ৰূপধৰৰ গাৰ নোম ভাল ভাল হৈ উঠা ট্ৰয়ৰযুদ্ধৰ ভয়ংকৰ

ঘটনাৱলী শুনিলে। ৰাতি পুউৱাৰ আগে আগে ৰূপধৰে কৰচ পিন্ধি ল'লে, আৰু ধীৰধৰক তেতিয়াই ওলাবলৈ ক'লে।

তাৰ পাছত—লিগিৰা-লিগিৰীহঁতক, নংক্ৰেম-সুখপ্ৰাণকো লগত লৈ নগৰৰ বহিৰলৈ বুলি সদলবলে খোজ বঢ়ালে।

ৰূপধৰৰ পিতাক পিপীলক আছিল এসময়ত এই নগৰৰ শসনকৰ্তা তথা ৰজা। কিন্তু এতিয়া তেওঁ নগৰৰপৰা ভালেখিনি দূৰত থাকে। তেওঁ নিজৰ ইচ্ছাৰেই নগৰ এৰি প্ৰকৃতিৰ কোলাত বসতি কৰিছিল। তেওঁ পুত্ৰ ৰূপধৰৰ পৰা কোনো আৰ্থিক সহায়তাও নলৈছিল। বৃদ্ধ পিপীলকে তেতিয়া এজোপা গছপুলি ৰৰ মৰমৰে ৰুই আছিল। একালৰ ৰজাক এতিয়া দেখাত

মালী-বুঢ়া যেনেই লাগিছিল।

ৰূপধৰে দৌৰি গৈ পিতৃক বুকুত আঁকোৱালি ল'ব বুলি ভাবিও বিৰত হ'ল। ৰূপধৰে ভাবিলে: বিছ বছৰৰ পাছত —পদ্মমুখীৰ দৰে তেঁৱো যদি মোক চিনি নাপায় — তেতিয়া তেওঁ চিঞৰি উঠিব পাৰে, আনকি বৃদ্ধাৱস্থাত অকস্মাৎ ভয় খাই কিবা ঘটনা-দুৰ্ঘটনাও হ'ব পাৰে।

গতিকে—ৰূপধৰে লাহেকৈ ক'লেগৈ, "তুমি বৰ মৰমেৰে গছপুলিবিলাকৰ চোৱা-মেলা কৰিছা; কিন্তু তোমাক চোৱা-মেলা কৰাৰ কোনোবা নাই যেনহে লাগিছে। তোমাৰ মালিক তোমাৰ নহয়নে কি?"

"তুমিনো কোন, বোপা? তুমি ক'ৰ মানুহ?" পিপীলকে সুধিলে।

"আমি অঘৰী মানুহ। প্ৰায় পাঁচ বছৰৰ আগতে ৰূপধৰ নামৰ কোনোবা এজনৰ সৈতে চিনাকি হৈছিলোঁ। সেই ৰূপধৰ বোলাজনে এই দেশৰে মানুহ বুলি কৈছিল। তেওঁৰ সৈতে সাক্ষাৎ কৰাৰ বৰ মন।" ৰূপধৰে তেওঁৰ পিতাকক ক'লে।

পুত্ৰৰ নাম শুনিয়েই বৃদ্ধ পিপীলক উঠি থিয় হ'ল, আৰু তেওঁ নিৰবে-নিমাতে কান্দিবলৈ ধৰিলে।

তেতিয়া ৰূপধৰে আৰু ৰ'ব নোৱাৰি পিতাকক সাৰটি ধৰি কৈ উঠিল, "পিতাশ্ৰী, ময়েই তোমাৰ ৰূপধৰ। বিছ বছৰ ধৰি অফুৰন্ত যাতনা সহি অৱশেষত দেশ পাইছোঁহি, আৰু আমাৰ ঘৰ আদি অন্যায়-ভাবে অধিকাৰ কৰি থকা দুৰাচাৰী-ইঁতক খতম্ কৰিলোঁহি।"



"কিন্তু—" বৃদ্ধ পিপীলকে দুশ্চিন্তিত হৈ ক'লে, "এই কাম যে কৰিলা— তোমালোককো ইথ্যাকাৰ ৰাইজে খতম্ নকৰিবনে? আশ-পাশৰ ৰজাবিলাকৰ সহায়তা লৈ সিহঁতেও তোমালোকক নেৰিব যেন পাওঁ।"

"নডৰক, পিতাশ্রী," ব'লক — আমি আহাৰ কৰোঁগৈ। আমাৰ ভৃত্যহঁতক আহাৰ প্ৰস্তুত কৰিবলৈ কৈ আহিছোঁ।"

এই বুলি কৈ ৰূপধৰে তেওঁৰ অতিবৃদ্ধ পিতৃক হাতত ধৰি লৈ আহিল। ইতিমধ্যে নংক্ৰেম আৰু সুখপ্ৰাণে মিলি আহাৰ্য্য প্ৰস্তুত কৰিছিল। তাৰ পাছত পিতা-পুত্ৰ দৌহিত্ৰাদি মিলি আহাৰ কৰি থাকিল।

সিপিনে—নগৰত এই গণহত্যাৰ কথা বনাগ্নিৰ দৰে বিয়পি পৰিল। ৰাইজৰ মাজত হাহাকাৰ উঠিল আৰু সকলোটিয়েই চিঞৰি-বাখৰি অভিশাপৰ জোৰাৰ তুলি ৰূপধৰৰ অট্টালিকাৰ পিনে দৌৰি দৌৰি গৈ থাকিল। তাত তেতিয়া অতি ভয়াবহ দৃশ্য। ৰূপধৰৰ অট্টালিকাৰ বাহিৰত য'তেই দৃষ্টি যায় তাতেই নিহত ৰাজকোঁৱৰহঁতৰ নিস্প্ৰাণ দেহ। এই বিৰাট-নৃশংস হত্যাকাণ্ড কেনেকৈ-কেতিয়া ঘটিল —কোনেও ভাবি উলিয়াব নোৱাৰিলে। বিশেষকৈ এটা কথাত সকলোৱেই আচৰিত মানিলে যে ৰূপধৰৰ অট্টালিকাত পদ্মমুখী, ধীৰধৰ, লিগিৰা-লিগিৰীহঁতৰো কোনো নাই! সকলোটিয়েই যেনিবা ভোজবাজীৰ দৰে উধাও হৈ গৈছে!

প্ৰথমিক বিস্ময়ৰ যেতিয়া অন্ত পৰিল, তেতিয়া নিহত দুৰ্বুদ্ধিৰ দেউতাকে

সমৰেত ৰাইজক উদ্দেশি ক'লে, "ৰাইজ, এই নাৰকীয় গণহত্যাৰ নায়ক—নিশ্চয়েই ৰূপধৰ। ৰূপধৰ যে ট্ৰয়-যুদ্ধৰপৰা উভতি আহিছে—সেই কথাৰ এয়ে দেখ দেখ প্ৰমাণ। মোৰ দৃঢ় বিশ্বাস যে সেই বৃদ্ধ মগনিয়াৰেই আছিল স্বয়ং ৰূপধৰ, যাক আমি মগনিয়াৰৰ ভেশছনত চিনি পোৱা নাছিলোঁ। যেই কি নহওক—এতিয়া আমাক এই নাৰকীয় হত্যাকাণ্ডৰ প্ৰতিশোধ—ওঁ—প্ৰতিশোধ লাগে। এই প্ৰতিশোধ নল'লে আমাৰ নিহত পুত্ৰসৰৰ আত্মা অতৃপ্ত হৈ থাকিব, আৰু প্ৰেতলোকত ঘূৰি ঘূৰি পাপাগ্নিৰে দহিত হৈ থাকিব। আৰু—"

ঠিক তেতিয়াই তালৈ এজন আগন্তুক আহিল। এই আগন্তুক আছিল ৰূপধৰে হত্যা নকৰা দুই-চাৰিজনৰ মাজৰ কোনোবা এজন। ৰূপধৰৰ বিবেচনাত এই কেইজন নাবালক আছিল, আৰু সেই বুলিহে হত্যা নকৰাকৈ এৰি দিছিল।

এই আগন্তুক মানুহজনে তাত সমৰেত ৰাইজক ক'লে, "ইথাকাৰ নাগৰিকবৰ্গ, মোৰ এটি কথা শুনক। এই হত্যাকাণ্ডৰ সময়ত মই তাত উপস্থিত আছিলোঁ। মই দেখিছিলোঁ—আমাৰ দেৱী বুদ্ধিমতীয়ে হত্যাকাণ্ডৰ পৰিচালনা কৰিছিল। গতিকে —আপোনালোকে পুনৰ্বাৰ ৰক্তপাত পৰিহাৰ কৰক।"

আৰু—ঠিক সেই সময়ছোৱাত স্বয়ং বুদ্ধিমতী দেৱীয়ে প্ৰত্যক্ষ হৈ ক'লে, "হে মোৰ মৰমৰ ইথাকাবাসী, তোমালোকৰ পুত্ৰসৰে ঘোৰ অন্যায় কৰাত মৰিল। তোমালোকৰ পাপৰ প্ৰায়শ্চিত্ত হ'ল। তোমালোকে এতিয়া আৰু বিশৃংখলা নকৰিবা।" এই বুলি কৈয়েই দেৱী বুদ্ধিমতী অদৃশ্য হ'ল।

এই ঘটনাৰ পাছৰপৰা ইথাকা দেশত শান্তিৰ বা-বলিবলৈ ধৰিলে আৰু ৰূপধৰে তেওঁৰ পিতৃ-পত্নী-পুত্ৰৰ সৈতে সুখী-শান্ত জীৱন যাপিবলৈ ধৰিলে। [অন্ত]



ভগৱান-ভৰসা

বহুকালৰ আগৰ কথা। তেতিয়াৰ পাৰস্যদেশৰ কোনোবা এখন গাঁৱত কোনোবা এজন ফকীৰ আছিল। এই ফকীৰ মানুহজন আছিল মূৰুখ আৰু ধোদ। দেখাত শকত-আৱত, হাত-ভৰিত শক্তিও যথেষ্ট; কিন্তু কাম-কাজ কৰাত নাই, খুজি খোৱাতহে আছে।

এদিন ফকীৰ নতুন গাঁও এখনলৈ যাওঁতে এডৰা হাবিৰ মাজেদি গৈ থাকোঁতে এটা ডাঙৰ আকাৰৰ শিয়ালক দেখা পাই থমকি ৰ'ল। ফকীৰে আচৰিত হৈ শিয়ালটোলৈ ভালকৈ চালে, চালে যে— শিয়ালটো যদিও বেছ ডাঙৰেই কিন্তু তাৰ হাত বা ঠেং একেবাৰেই নাই।

ফকীৰে কৈ উঠিল: বাহ্ ৰে বাহ্, আল্লাহ্-তাল্লাহ্ৰ কেনে আজাইৰ সৃষ্টি! হাত নাই ঠেং নাই — এই বিৰাট শিয়ালটো বাৰু বনত খায়নো কি?

ফকীৰ এইবোৰ কথা ভাবি থাকোতেই হঠাৎ বাঘ এটাক সেই পোনে অহা দেখা পাই জোপোহাৰ আঁৰত লুকাল। বাঘটোৱে এটা পহু মাৰি মুখেৰে কঢ়িয়াই লৈ আহিল। বাঘটোৱে পহুটোক খালে, আৰু যিখিনি নাখালে সেইখিনি তাতেই এৰি থৈ গুচি গ'ল।

বাঘটো গুচি যোৱাৰ পাছত সেই হাত-ঠেং নথকা শিয়ালটোৱে বাঘৰ এৰেহাখিনি বৰ জুতি লগাই খালে।

ফকীৰে আচৰিত মানি ভাবিলে: আল্লাহ্-তাল্লাহ্ই যেনেকৈ এই অসহায় শিয়ালটোক আহাৰ যোগালে, মোকো নোযোগাবনে? আল্লাই যদি শিয়ালৰো

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

চিন্তা কৰিছে, তেওঁৰ নাম সদা-সৰ্বক্ষণ অন্তৰত লৈ ঘূৰি ফুৰা মোৰ কথা চিন্তা নকৰিব জানো ?

ফকীৰে নতুন গাঁও পাই পোনে পোনেই মছজিদলৈ গ'ল। কিন্তু অভ্যাস-মতে—তাত তেতিয়া ভক্তসকল নেদেখি কিছু দমি গ'ল। এজন মানুহে ফকীৰক ক'লেহি, "ইয়াত কোনো নাথাকে।"

"ঘৰ এটা আছে যতিয়া—কোনোবা-কুনুবি থাকিবই।"

ফকীৰৰ ফাংফুং কথা শুনি আমনি পাই মানুহজনে ক'লে, "এই ঘৰত কোন থাকে —নাজানানে? যিজনে মোক আৰু তোমাকো প্ৰাণ দিলে, সেই সৰ্বজীৱস্থষ্টি-কাৰী সৰ্বেশ্বৰ ইয়াত থাকে।"

ফকীৰে তাৰ বাহু বিস্তাৰি কৈ থাকিল, "দুখীৰ দুখতে দুখী যিজনা, সেইজনাই মোৰ আহাৰ যোগাওক।"

ফকীৰ তাতেই এজোপা গছৰ তলত থাকিল, কিন্তু তাক আহাৰ দিবলৈ কোনো নাহিল। ক্ৰমে ক্ৰমে অনাহাৰত ফকীৰ খীণাই গ'ল, আৰু ভগৱান ভৰসাত থকা ফকীৰ এদিন মৃত্যুৰ মুখামুখি হৈ পৰিল। ভগৱানৰ ভাৰসা কৰি থকা সত্বেও তাৰ চাউল টুটি আহোঁ আহোঁ হ'ল।

আৰু ঠিক তেতিয়াই সেই মছজিদৰ-পৰা কোনোবাই গহীন কণ্ঠেৰে কৈ উঠিল: "হে মূৰ্খ, তুমি শিয়াল নহয়, তোমাৰ হাত আছে, ভৰি আছে, শক্তি আছে। তথাপিনো কিয় ভিক্ষা কৰি খাবা? যিজনে নিজে শ্ৰম কৰি খায় আৰু লগতে আনৰো কিঞ্চিত উপকাৰো সাধে, সেই-জনকহে মই মোৰ প্ৰকৃত ভক্ত বুলি মানো, সেইজনৰ লগত মই থাকোঁ। ভগৱান খোদ নহয়, মই খোদৰ ভগৱান নহয়।"

এই কথাত ফকীৰে লাজ পালে। ফকীৰৰ জ্ঞানোদয় হ'ল। তাৰ পাছৰপৰা ফকীৰে ভগৱান-প্ৰদত্ত হাত-ভৰিৰ সদুপযোগ কৰি শ্ৰমকে ধৰ্ম বুলি মানি নিৰমল জীৱন যাপন কৰা হ'ল।

প্ৰেম

ৰজা বিক্ৰমাদিত্য তথাপি নদমিল। পুনৰ মৃতদেহটো গছৰপৰা নমাই আনি কান্ধত পেলাই লৈ মৰিশাললৈ বুলি গৈ থাকিল আৰু মৃতদেহৰ মাজত থকা বেতালে কৈ থাকিল, "হে ৰজা, তুমি হয়তো কোনোবাজনী সুন্দৰী নাৰীৰ গভীৰ প্ৰেমত পৰি এনেহেন দুঃসাধ্য-দুঃসহনীয় কামত ব্ৰতী হৈছা। নাৰীৰ কাৰণে দুনিয়াত বহুত ওলট-পালট হয়, অসহনীয়তাও সহনীয় প্ৰেম হৈ জিলিকি উঠে। কিন্তু সেই শিৰমল্লৰ দৰে তুমিও যে শেহলৈ তোমাৰ লক্ষ্যৰ সফলনি নকৰিবা—তাক তো ন-দি ক'ব নোৱাৰি। তেতিয়া কিন্তু তোমাৰ এই যুগ যুগ জোৰা অপাৰ শ্ৰম অথলে যাব। যি কি নহওক—শিৰমল্লৰ কাহিনীয়ে তোমাৰ জ্ঞাননেত্ৰ উন্মীলিত কৰে যদি—সেই আশাৰে এই কাহিনী কওঁ।' বেতালে কাহিনী কৈ থাকিল:

'বেতাল-কথা'

প্ৰণয়পুৰৰ ৰজা বিজয়সেন আছিল সুশাসক আৰু হৃদয়বান পুৰুষ। ৰাজ্যৰ উত্তৰসীমাত আছিল হৰিজনসকলৰ বসতি. তাত যিসকল হৰিজন আছিল যুদ্ধকালত ৰজাৰ সহায়ক-সৈনিক।

এই বসতিৰ হৰিজন-চৰ্দাৰ ৰঘুমল্লৰ ল'ৰা শিৰমল্ল আছিল ধনুৰ্বিদ্যাত অদ্বিতীয়-ভাবে দক্ষতাৰ অধিকাৰী।

প্ৰণয়পুৰ ৰাজ্যৰ চুবুৰীয় ৰাজ্য কৈবল্য-পুৰীৰ ৰজা ধীৰসেন আছিল ৰজা বিজয়-সেনৰ তলতীয়া সামন্ত-ৰজা। ৰজা ধীৰসেনৰ একমাত্ৰ পুত্ৰী অমৃতা আছিল তেতিয়াৰ দিনৰ অতুলন-ৰূপসী।

এদিন অমৃতাই তেওঁৰ সখিয়েকসকলৰ লগ লাগি বনবিহাৰ কৰি থাকোঁতে গৈ গৈ সেই হৰিজন-বসতি পালেগৈ। হৰিজন-বসতিৰ মাজেদি যেতিয়া গৈ আছিল, তেতিয়া এজোপা গছৰপৰা অকস্মাৎ এক বিৰাট অজগৰ সাপ ৰথৰ ওপৰত পৰিল আৰু সেই প্ৰকাণ্ড-প্ৰচণ্ড সাপটোৱে ৰাজকুঁৱৰী অমৃতাক গিলিবলৈ মুখ মেলি পিনে আহিল বগুৰাবাই তেওঁৰ আহি থাকিল।

ভীতা-সন্ত্ৰস্তা ৰাজকুঁৱৰী অমৃতাৰ চিৎকাৰ শুনি সেই বাটেদি ঘোঁৰাত উঠি গৈ থকা ৰজা বিজয়সেনে এই ভয়াবহ দৃশ্য দেখা পাই স্তম্ভিত হৈ ভাবি থাকিল যে—সেই প্ৰকাণ্ড অজগৰ সাপটোলৈ যদি তেওঁ বাণ নিক্ষেপ কৰে, আৰু যদিহে সামান্যমানো লক্ষ্যভ্ৰষ্ট হৈ সেই বাণে এই অপৰূপ ৰূপৱতীক বিন্ধে, তেতিয়া এই অতুলন-ৰূপৱতীৰ প্ৰাণ-সংশয় অৱধাৰিত। গতিকে—ৰজা বিজয়সেনে তেওঁৰ কৰ্তব্য স্থিৰ কৰিব পৰা নাছিল।

ইতিমধ্যেই — ৰাজকুঁৱৰী অমৃতাৰ ভীত-চিৎকাৰ শুনি শিৰমল্ল বিজুলীগতিৰে লৰৰি আহিল, আৰু আহিয়েই এই ঘটনাৰ ভয়াবহতাৰ লেখ কৰি অজগৰটোক টোঁৱাই অব্যৰ্থ লক্ষ্যৰে কঁতিয়াই থাকিল।

অজগৰটো তৎক্ষণাৎ মৰিল, ৰাজকুঁৱৰী অমৃতা ৰক্ষা পৰিল।

ৰাজকুঁৱৰী অমৃতাই কৃতজ্ঞ-দৃষ্টিৰে শিৰমল্ললৈ চালে আৰু ক'লে, "মই

কৈবল্যপুৰৰ যুৱৰাণী অমৃতা। তোমাৰ ওচৰত মই অপৰিশোধনীয় কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। তুমি মোৰ জীৱনদাতা। তোমাৰ এই সহায়তাৰ মূল্য-নিৰ্ধাৰণ অসম্ভৱ. তথাপি, মোৰ তৃপ্তিৰ কাৰণে মোৰ এই কণ্ঠহাৰ তোমালৈ উপহাৰ দিছোঁ. অনুগ্ৰহ কৰি গ্ৰহণ কৰাঁ।”

শিৰমল্লই মৃদুকৈ হাঁহিৰে ৰাজকুঁৱৰী অমৃতাৰ কণ্ঠহাৰ গ্ৰহণ কৰিলে।

অমৃতাই পুনৰ ক'লে. “যেতিয়া সময় পাবা, তেতিয়া আমাৰ ৰাজধানীলৈ আহিবা। মই তোমাক মোৰ অঙ্গৰক্ষক হিচাপে নিযুক্ত দিবলৈ পিতাশ্ৰীক ক'ম।”

এইবোৰ কথা-কাণ্ডলৈ মন কৰি ৰজা বিজয়সেনৰ মন-প্ৰাণত ঈৰ্ষাৰ অগনি জ্বলি উঠিল। ৰাজকুঁৱৰী অমৃতাই বিজয়সেনলৈ আনকি এপলকৰ বাবে দৃষ্টিপাতো কৰা নাছিল যে— সেই কথাতে বিজয়সেনৰ অন্তৰ ডেই-পুৰি গৈছিল।

ৰাজধানী পাই বিজয়সেনে ৰাজ্য-শাসনৰ কথা বিস্মৃত হৈ দিনে-নিশাই সুন্দৰী অমৃতাৰ কথাকে ভাবি থাকিল। তেওঁ ভাবি থাকিল: সুন্দৰী অমৃতাক অৰ্দ্ধাঙ্গিনীৰূপে লাভ কৰিব নোৱাৰিলে এনে শু-জীৱন ধৰাতকৈ মৰা ভাল।

ইতিমধ্যে চোৰাংচোৱাং প্ৰধানে এই বাতৰি কঢ়িয়াই আনিলে যে—সামন্তৰাজ ধীৰসেনে হৰিজন শিৰমল্লক অমৃতাৰ অঙ্গৰক্ষকৰূপে নিযুক্ত কৰিলে।

বিজয়সেনে ভাবিলে যে—তেওঁ যদি এতিয়াই এই বিষয়ে অগ্ৰসৰ নহয়, অমৃতাই নিশ্চয় এদিন সেই শিৰমল্লক বিবাহ কৰাব।

বিজয়সেনে আৰু নভবা-নিচিন্তাকৈ অমৃতাৰ পিতাক সামন্ত ধীৰসেনলৈ স্বহস্তে এখন পত্ৰ লিখিলে। পত্ৰত তেওঁ অমৃতাক বিবাহৰ কৰাৰ কথা স্পষ্টাক্ষৰে লিখাৰ উপৰিও লিখিলে যে— যদি অমৃতাক তেওঁৰ হাতত দিবলৈ ধীৰসেন অসন্মত হয়, তেনেহ'লে কৈবল্যপুৰী আক্ৰমণ কৰি অধিকাৰ কৰা হ'ব। বিজয়সেনে এই পত্ৰ এজন সুদক্ষ কটকীৰ হতুৱাই সামন্তৰাজৰ ধীৰসেনলৈ প্ৰেৰণ কৰিলে।

ৰজা বিজয়সেন-লিখিত পত্ৰ পাঠ কৰি ধীৰসেন অতিশয় আনন্দিত হ'ল। তেওঁ তেতিয়াই তেওঁৰ পুত্ৰী অমৃতাক সেই পত্ৰখন দেখুৱালে আৰু ক'লে, "আই, তোমাৰ যে কিমান সৌভাগ্য, স্বয়ং মহাৰাজ বিজয়সেনে তোমাক বিবাহ কৰাব খুজিছে!"

কিন্তু সেই পত্ৰ পাঠ কৰি অমৃতাই মুঠেই ভাল নাপালে। অমৃতাই তাইৰ পিতাকক ক'লে, "পিতাশ্ৰী, এই পত্ৰ—দৰাচলতে ভীতি-প্ৰদৰ্শনমূলক পত্ৰ। তেওঁ যে মোক ভাল পাই বিবহ কৰাব খুজিছে—তাৰ লেশমান প্ৰমাণো এই পত্ৰত নাই।"

ধীৰসেনে পুত্ৰীৰ প্ৰশ্নৰ কোনো উত্তৰ দিব নোৱাৰিলে। পাছত— অমৃতায়েই ৰজা বিজয়সেনলৈ পত্ৰ লিখি পঠালে।

অমৃতা-লিখিত পত্ৰ পাঠ কৰি ৰজা বিজয়সেন অগ্নিৱৎ ক্ৰুদ্ধ হৈ উঠিল। অমৃতা-লিখিত পত্ৰৰ সাৰকথা আছিল:

'নিকট-ভৱিষ্যতত কাৰোবাক বিবাহ কৰাৰ মন মোৰ নাই। এই বিষয়ে মোক ক্ষমা কৰিব আৰু মোক বলপূৰ্বক বিবাহ কৰাৰপৰা বিৰত হ'ব—এয়ে মোৰ সনিৰ্বন্ধ অনুৰোধ। আমাৰ এই ক্ষুদ্ৰ ৰাজ্যখন আক্ৰমণ কৰি অধিকাৰ কৰাটো আপোনাৰ পক্ষে একপাত্ৰ পানী খোৱাৰ দৰেই উজু; কিন্তু কোনো ৰাজনীৰ হৃদয়ৰ অধিকাৰ পোৱাটো কিন্তু তেনেহেন উজু বিষয় নহ'বও পাৰে—অনুগ্ৰহ কৰি সেই কথাটিও দ'কৈ ভাবি চাওক।'

যদিও অমৃতাৰ পত্ৰ পোনতে অগ্নিৱৎ হৈ পৰিছিল, কিন্তু ছুবাৰমান পঢ়াৰ পাছত, বিজয়সেনৰ অগ্নি-ক্ৰোধ কুমলি আহিল। তেওঁৰ ভাব হ'ল: ধমকিৰে — ডাবি-হুঁকিৰে বিয়া কৰাব পাৰি হয়তো, কিন্তু হিয়া বাস্তৱিকতে পাব নোৱাৰি। এই কাৰ্য্য ৰাজোচিত-বিজ্ঞোচিত নহ'ব।

ইপিনে— পুত্ৰীৰ পত্ৰৰ কথা ভাবি ধীৰসেনৰ ধাতু উৰিল। মহাৰাজ বিজয়-সেনে যে কৈবল্যপুৰী আক্ৰমণ কৰি তেওঁকো কৈবল্যধামলৈ পঠাব—সেই কথা দেখা কথা।

কিন্তু তিনি মাহৰ অন্ততো যেতিয়া

বিজয়সেনে কৈৱল্যপুৰী আক্ৰমণ নকৰিলে, তেতিয়া ধীৰসেনে ভাবিলে যে মহাৰাজে নিশ্চয় আন কোনোৰাজনী ৰূপহীলৈ মন মেলিলে, আৰু এইবাৰলৈ তেওঁ কাণে কাণ মাৰি কথমপি সাৰিলে।

কিছু দিনৰ অন্তত আকৌ এদিন উদ্যানবনত ভ্ৰমি আছিল ৰাজকুঁৱৰী অমৃতা আৰু উদ্যানবনত পৰ দি বৈ আছিল শিৰমল্ল। অকস্মাৎ শুকান পাতৰ তলৰপৰা ৰক্তবৰ্ণ সাপ এডালে ওলাই আহি ৰাজকুঁৱৰী অমৃতাক খুটিলে আৰু অমৃতাই তীব্ৰ আৰ্তনাদ কৰি সৰ্পবিষেৰে জৰ্জৰিত হৈ চেতনা হেৰুৱালে। শিৰমল্লই বিজুলী-বেগেৰে আহি তৰোৱালেৰে ৰক্তবৰ্ণ সাপটোক টুকুৰাটুকুৰ কৰি পেলালে।

অমৃতাক সাপে খোটাৰ কথা শুনি ৰজা-ৰাণী লৰৰি আহিল। তিমানতে শিৰমল্লাই ৰাজবৈদ্যক মাতি আনিছিলগৈ। মৃত সাপটোলৈ চাই ৰাজবৈদ্য স্তম্ভিত হ'ল। ৰাজবৈদ্যই ৰজা ধীৰসেনক ক'লে, "মহাৰাজ, মই যি দৰব দিম, তাৰে ৰাজকুঁৱৰীয়ে নিশ্চিতভাবেই চেতনা ঘূৰাই পাব, কিন্তু এই মহাসৰ্পবিষৰ প্ৰভাৱত ৰাজকুঁৱৰীৰ দৃষ্টিশক্তি নোহোৱা হ'ব। এই সৰ্প সাধাৰণ সৰ্প নহয়, ই ৰক্তপিপাসী পৰ্বতৰ মহাসৰ্প। এই সৰ্প আমাৰ উদ্যান-বনত কেনেকৈ যে আহিল— সেই কথা ভাবি মই তৰধেই মানিছোঁ।"

তিমানতে ৰাজকুঁৱৰীয়ে চেতনা ঘূৰাই পাইছিল। ৰাজকুঁৱৰী অমৃতাই কৈ উঠিল, "শিৰমল্লই, মই চকুৰে একো মনিব পৰা নাই, মই অন্ধ হ'লোঁ—"

শিৰমল্লই ৰাজকুঁৱৰীৰ কথাৰ উত্তৰত একো নক'লে। সি অপৰাধীৰ দৰে এচুকত থিয় হৈ আছিল। ৰাণীয়ে পুত্ৰীক কোলাত লৈ কান্দি আছিল। ৰজা ধীৰসনে ৰাজ-বৈদ্যক সুধিলে, "বৈদ্যবৰ, ৰাজকুঁৱৰীৰ দৃষ্টিশক্তিক ঘূৰাই অনাৰ কোনোবিধৰ উপায়েই নাইনে?"

ৰাজবৈদ্যই ক'লে, "মহাৰাজ, মই জনাত —একমাত্ৰ সৰ্পগন্ধা পুষ্পেৰেহে দৃষ্টিশক্তিক ফিৰাই আনিব পাৰি। সৰ্পগন্ধা পুষ্প দৃষ্টিশক্তিহীন চক্ষুৰ ওপৰত থাপিলেই



দৃষ্টিশক্তি ফিৰাই পোৱা যায়। কিন্তু—এই পুষ্প প্ৰতি পঞ্চাছ বৎসৰত এবাৰ এটি মাত্ৰ ফুলে, আৰু সেই আকাশলংঘা উচ্চ সৰ্পগন্ধাপুষ্পবৃক্ষৰপৰা পুষ্প বুটলি অনাটো— দুঃসাধ্যয়েই নহয়— অসাধ্য ; কিয়নো সেই বৃক্ষকে আগুৰি থাকে শত শত ৰক্তবৰ্ণ সৰ্প।"

ৰজা ধীৰসেন মুহূৰ্তমান চিন্তাৰ অন্তত ঘোষণা কৰিলে : —যদিহে কোনোবা মহাবীৰে ৰক্তপিপাসী পৰ্বতৰপৰা সৰ্পগন্ধা পুষ্প বুটলি আনিব পাৰে— সেই মহাবীৰৰ হাতত আমাৰ পুত্ৰীক সঁপিম।"

এই ঘোষণা ৰাজ্যৰ সকলোতে প্ৰচাৰ কৰিবলৈ ৰজা ধীৰসেনে কটকটীয়াকৈ আদেশ প্ৰদান কৰিলে।

শিৰমল্লই ৰজাক ক'লে, "মহাৰাজ, মোক অশীৰ্বাদ কৰক, মই সেই পুষ্প বুটলি আনিবলৈ ওলাম।"

এই ৰাজকীয় ঘোষণা মহাৰাজ বিজয়সেনৰো কাণত পৰিল। তিমানতে এটা দিন পাৰ হৈ গ'ল, তথাপি তেওঁ সৰ্পগন্ধা পুষ্প যেনেতেনে বুটলি আনিবলৈ ঘোঁৰাত উঠি ৰাওনা হ'ল।

ইপিনে— শিৰমল্লই পাঁচ দিন-পাঁচ নিশাৰ পাছত ছয়দিনৰ দিনা গোধূলিৰ আগে আগেই ৰক্তপিপাসীৰ নামনি পাইছিলগৈ। সেই গোধূলিৰ ছয়া-ময়া পোহৰতে শিৰমল্লই সেই ৰক্তবৰ্ণসৰ্পমণ্ডিত ৰহস্যময় পাহাৰৰ বুকুত আকাশলংঘা সৰ্পগন্ধাপুষ্পবৃক্ষ আৰু তাৰ মূধত একমাত্ৰ অতি মনোহৰ পুষ্পটোকো দেখা পালে আৰু ভাবিলে : শত শত সৰ্পই আগুৰি থকা এই আকাশলংঘা বিৰিখৰ মূধৰপৰা কেনেকৈনো এই পুষ্প বুটলি আনিম ?

ৰাতিছোৱা এজোপা গছৰ তলতে যাপি, ৰাতি পুউৱাৰ লগে-লগেই শিৰমল্লই তাৰ ধনুৰ্বাণ হাতত ল'লে, আৰু সেই সুউচ্চ বৃক্ষৰ মূধত থকা একমাত্ৰ পুষ্পটোক সঠিকভাবে কাঁড়বিদ্ধ কৰিলে। অপূৰ্ব শুভ্ৰতাৰ প্ৰতীক সেই অমূল্য পুষ্পটো যেনিবা আকাশৰপৰা সৰি পৰিল।

শিৰমল্লই আকুল আগ্ৰহৰে পুষ্পটো বুটলিবলৈ দৌৰি গ'ল, কিন্তু তাত অসংখ্য

ৰক্তবৰ্ণ সৰ্প দেখা পাই থমকি ৰ'ল। আৰু ঠিক তেতিয়াই তাত ৰজা বিজয়সেনো তাত উপস্থিত হ'ল।

বিজয়সেনে শিৰমল্ললৈ বিস্মিত দৃষ্টিৰে চাই ক'লে, "অ'—তুমি আগতেই আহি পুষ্পটোক কঁড়িয়াই পেলালেলাই!"

"মোৰ অনুমান সঠিক হ'ল। আপুনিও যে এই পুষ্প বুটলিবলৈ আহিব—মই নিৰ্ভুলভাবে অনুমান কৰিছিলোঁ। কিন্তু মহাৰাজ — আপুনি পুষ্পটো বুটলি আনিবলৈ নাযাওক, বিপদ হ'ব।" এই বুলি কৈয়েই শিৰমল্লই সেই অসংখ্য ৰক্তবৰ্ণ সৰ্পৰ মাজত থকা পুষ্পটোক বুটলি আনিবলৈ সৰ্পবিলাকৰ মাজতে জঁপিয়াই পৰিল আৰু পুষ্পটো বোটলাৰ লগে লগে এডাল বিৰাট ৰক্তবৰ্ণ সাপে তাক সজোৰে খুটি থাকিল।

তীব্ৰ বিষ-জৰ্জৰিত অৱস্থাতো শিৰমল্ল টলবলকৈ বিজয়সেনৰ ওচৰলৈ আহিল আৰু সেই অমূল্য পুষ্পটো তেওঁৰ হাতত দিলে আৰু ক'লে, "মহাৰাজ, পুষ্পটো লওক, আৰু ইয়াত আৰু নৰওক, দ্ৰুতগতিৰে গুচি যাওক আৰু ৰাজকুঁৱৰী অমৃতাক আপুনি বিবাহ কৰি সুখী হওক।" এই বুলি কৈয়েই শিৰমল্ল অচেতন হৈ গ'ল। অলপ পাছত সি চেতনা ঘূৰাই পালে, যদিও দৃষ্টিশক্তি হেৰুৱালে।

ৰজা বিজয়সেনে শিৰমল্লক বুকুত আঁকোৱালি ল'লে, আৰু ক'লে "শিৰমল্ল, তোমাৰ ত্যাগৰ কোনো তুলনা নাই, এনেহেন পৰমত্যাগৰ আন কোনো দৃষ্টান্তও নাই। তোমাক মই ভাল কৰি তুলিমেই।



আমাৰ বৈদ্যপ্ৰধানে কৈছে যে—সৰ্পগন্ধা-পুষ্প বিনেও ৰক্তবৰ্ণসৰ্পই খোটাৰ চিকিৎসা আছে।—ব'লা।"

এই কুলি কৈ, শিৱমল্লকো ৰজাই তেওঁৰ ঘোঁৰাৰ পিঠিত উঠাই ল'লে।

এই কাহিনী ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! শিৱমল্লৰ আচৰণ যে নিৰ্বুদ্ধিতাৰে ভৰা—সেই কথাত নিশ্চয় কোনো সন্দেহ নাই। ৰাজকুঁৱৰী অমৃতাক বিবাহ কৰাৰৰ মনেৰেই শিৱমল্লই অঙ্গ-ৰক্ষকৰ কাম লৈছিল, আৰু সৰ্পাঘাত সত্বেও সৰ্পগন্ধাপুষ্পটো বুটলি আনিব পাৰি সেই সুযোগ লাভ কৰিছিল। কিন্তু এক অজ্ঞাত কাৰণত সেই পুষ্প সি ৰজা বিজয়সেনক দিছিল। তাৰ এই আচৰণ—নিৰ্বোধ-আচৰণ নহৈনো কি? আৰু—বিজয়সেন তালৈ—ৰক্তপিপাসী পাহাৰলৈ নোযোৱালৈকে শিৱমল্লই সেই পুষ্প বুটলি আন নাছিল বা কিয়—তাকো মই বুজা নাই। সৰ্পগন্ধা পুষ্প বিজয়সেনক দিয়াৰ অৰ্থ—ৰাজকুঁৱৰীৰ প্ৰেমলৈ উপেক্ষা নহয়নে বাৰু? কিয় এই উপেক্ষা? মোৰ প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিওফাল হওক।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্য ৰজাই ক'লে, "শিৱমল্লই এই কথা ফটফটীয়াকৈ বুজি পাইছিল যে—ৰক্তবৰ্ণ সৰ্পবিলাকৰ মাজৰপৰা সৰ্পগন্ধাপুষ্প বুটলি আনিব পাৰিলেও মৃত্যুৰ প্ৰবল সম্ভাৱনা আছে। তেনেস্থলত ৰাজকুঁৱৰীক পুনৰ দৃষ্টিশক্তিসম্পন্ন কৰাৰ উপায় কি আছিল? গতিকে—বিজয়সেনক পুষ্পটো প্ৰদান কৰাৰ মাজেদিও ৰাজকুঁৱৰী অমৃতাৰ প্ৰতি শিৱমল্লৰ সুগভীৰ প্ৰেমেই প্ৰকাশিত হৈছিল বুলি নিঃসন্দেহে ক'ব পাৰি।"

ৰজা বিক্ৰমৰ এই উত্তৰ শুনামাত্ৰেই বেতালে সেই শ'টো লৈ সাউতকৰে গুচি গ'ল, আৰু গৈ গৈ সেই গছজোপাৰ এটা ডালত পুনৰ ওলমি থকা হ'ল। [কল্পিত

লওঁ ওভোতা খোজ মূলমাটিলৈ

কথা : মীৰানায়াৰ • চিত্ৰ : গোপকুমাৰ

এইবাৰ লওঁ খোজ মূলমাটিলৈ। লাক্ষাদ্বীপ এৰি ওভোতা খোজে খোজে পাওঁগে পদ্মনাভপুৰম্, যি-ঠাইডোখৰ থিৰুৱনন্তপুৰমৰ ৫৫ কি. মি. দক্ষিণ।

এতিয়া পদ্মনাভপুৰম হ'ল তামিলনাডুৰ ভূখণ্ড, কিন্তু ১৬ৰপৰা ১৮ শতিকালৈকে আছিল ত্ৰিবাঙ্কুৰৰ (তিৰুবিতাঙ্কুৰ) ৰাজধানী।

এই শতিকাৰ প্ৰাৰম্ভকাললৈকে ত্ৰিবাঙ্কুৰৰ ৰজাই পদ্মনাভপুৰমৰ দুৰ্গৰ সন্নিহিত প্ৰাসাদত বাস কৰিছিল। এই পশ্চিম সমুদ্ৰতটীয় ৰাজপ্ৰাসাদৰ কাষ্ঠ-কাৰুকাৰ্য্য অতি মূল্যবান আৰু নয়নাভিৰাম।

এই প্ৰাসাদৰ মজিয়া মৰ্মৰশিলেৰে সজা যেন লাগে। কিন্তু এই মজিয়া নাৰিকলৰ খোলা পুৰি ক'লা কৰি তাৰ সৈতে কণীৰ কুহুম বাদ দি বগা অংশ মিহলাই এক অভিনৱ উপায়ে সজোৱা হৈছিল। ৰজাৰ পালেংখন আছিল ৬৩ বিধৰ ঔষধিবৃক্ষৰ কাঠেৰে সজোৱা। আৰু এইখন পালেং পৰ্টুগিজসকলে ৰজালৈ উপহাৰ দিছিল। ৰাণীৰ পালেং আছিল মূল্যবান হস্তীদন্তৰ কাৰুকাৰ্য্যময়তাৰে অতি মনোহৰ।

প্ৰাসাদৰ এটা স্তম্ভৰ ওচৰত এটা লৌহগোলক আছিল, যি লৌহগোলকটো আছিল ৰজাৰ সৈন্যদলত স্থান লাভ কৰাৰ যোগ্যতা-নিৰ্ধাৰক গোলক। এই লৌহগোলকটো হাতেৰে দাঙিব পৰাইহে সৈন্যদলৰ যোগ্য বুলি বিবেচিত হৈছিল।

পদ্মনাভপুৰম্ প্ৰাসাদৰ প্ৰবেশদ্বাৰ।

কন্যাকুমাৰী মূৰ্তি

পদ্মনাভপুৰমৰ ১৬ কি. মি. দক্ষিণত শুচিন্দ্ৰম-মন্দিৰ অৱস্থিত। এই মন্দিৰত ৩০ গৰাকী দেৱ-দেৱীৰ মূৰ্তি আছে। জনশ্ৰুতি, ইয়াত দেৱৰাজ ইন্দ্ৰই তেওঁৰ নিজৰ পাপৰ প্ৰায়শ্চিত্তাৰ্থে উতলা ঘিঁউত হাত ডুবাইছিল। কেইদশকমানৰ আগলৈকো এই প্ৰথাৰে অপৰাধী-নিৰপৰাধী সাব্যস্ত কৰা হৈছিল। এ পদ্ধতিৰে—উতলা ঘিঁউত হাত ডুবোৱাৰ তিনি দিনৰ পাছতো হাতত ফোঁহা নেমেলাক নিৰপৰাধী হিচাপে গণ্য কৰি মুক্তি দিয়া হৈছিল।

মন্দিৰ-প্ৰাঙ্গণত ভালেমান খোৰোং থকা এজোপা বৃহৎ বৃক্ষ আছে, যিজোপা ২৫০০ বছৰীয়া বৃক্ষ বুলি কোৱা হয়। এইবোৰ খোৰোঙত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আদিৰ লিঙ্গাকাৰ মূৰ্তি স্থাপিত আছে।

মন্দিৰৰ সমুখত এক বিশাল হনুমানমূৰ্তি আছে। এই মূৰ্তিক প্ৰতিদিন গঙ্গাজল আৰু গোলাপজলেৰে অভিষিক্ত কৰা হয় আৰু সেই জল চৰণামৃতৰূপে ভক্তসকলক দিয়া হয়।

মন্দিৰৰ উত্তৰদিশীয়া বাৰান্দাত যিবোৰ গোটা গ্ৰ্যানাইট প্ৰস্তৰৰ স্তম্ভ আছে, সেইবোৰ স্তম্ভত টুকুৰিয়ালে বিধোবিধ বাদ্যৰ বাদন শ্ৰুত হয়। এইবোৰ বিখ্যাত নিৰ্মাণকৌশলযুক্ত কোনোবা স্তম্ভৰপৰা জলতৰংগ-বাদন, কোনোবাটোৰপৰা মৃদংগ-বাদন, আৰু আন কোনোবাটোৰপৰা বীণাৰ মধুৰ সংগীত শ্ৰুত হয়।

ভাৰতবৰ্ষৰ সৰ্বদক্ষিণ সীমাত—য'ত বংগোপসাগৰ, আৰৱ সাগৰ আৰু ভাৰত মহাসাগৰ মিলিত হৈছে, তাত সুবিখ্যাত কন্যাকুমাৰীৰ পৱিত্ৰ মূৰ্তি বিদ্যমান।

কথিত আছে, শুচিন্দ্ৰম মন্দিৰৰ ভগৱান শিৱই দেৱী কন্যাকুমাৰীক ভাল পাই তেওঁক বিভা কৰিবলৈ মন মেলাত অন্য অন্য দেৱতা এই কথাত চিন্তিত হৈ উঠিল যে—দেৱী কন্যাকুমাৰীয়ে তেতিয়া তেওঁৰ দিব্যশক্তি



হেকৰাৰ, আৰু তাৰে দেৱকুল ভালেখিনিলৈকে শক্তিহীন হৈ পৰিব। দেৱতাসকলে এই কথাত দুশ্চিন্তিত হৈ নাৰদমুনিৰপৰা সহায়তা প্ৰাৰ্থনা কৰিলে।

নাৰদে শিৱক ক'লেগৈ যে—এই বিবাহৰ শুভমুহূৰ্ত হ'ল ধলপুৱাৰ মুহূৰ্তছোৱা। দৰাই নাৰদমুনিৰ কথা মানি ল'লে আৰু সেই শুভ মুহূৰ্তলৈ অপেক্ষিলে। ইপিনে নাৰদে কুকুৰাৰ ৰূপ লৈ ধলপুৱাৰ আগতেই—ৰাতি পুৱাবলৈ দুইডাঁৰমান থাকোঁতেই ডাকি উঠিল আৰু বিবাহৰ শুভমুহূৰ্ত পাৰ হৈ গ'ল বুলি ভাবি দৰাপক্ষই সদলবলে উভতি গ'ল।

দেৱী কন্যাকুমাৰী ইমানেই ক্ৰুদ্ধা হ'ল যে—বিবাহৰ ভোজৰ বাবে প্ৰস্তুত কৰা খাদ্যবস্তুখিনি তেওঁ সমুদ্ৰতটত দলিয়াই পেলালে, আৰু সেই খাদ্যবস্তুবোৰেই আগলৈ সুদৃশ্য শঙ্খ, শামুক আৰু অন্যান্য সাগৰীয় পদাৰ্থৰ ৰূপ ল'লে।

কন্যাকুমাৰীৰ সাগৰবালিত ৰঙা, সোণোৱালী, ৰূপোৱালী, হালধীয়া, কমলা, ডাঠ নীলা, পিঙলা আদি বহুবিধ বৰণৰ বালি পৰিলক্ষিত হয়। আৰু এই পৰমপৱিত্ৰ ভাৰতবৰ্ষৰ সীমামূৰীয়া সাগৰবালিত ইউৰেনিয়াম যথেষ্ট পৰিমাণে বিদ্যমান।

কন্যাকুমাৰিকাৰ অন্যতম দৰ্শনীয় তথা পূত-পৱিত্ৰ স্থান হ'ল গান্ধীমণ্ডপম্। ইয়াত ভাৰতবৰ্ষৰ মহত্তম নেতা গান্ধীজীৰ চিতাভস্ম ৰক্ষিত হৈছিল আৰু পাছত সমুদ্ৰজললৈ বিসৰ্জিত হৈছিল। ইয়াত কৃষ্ণ-মৰ্মৰ প্ৰস্তৰৰ এখন স্মাৰক-ফলি আছে।



প্ৰতি বছৰৰ ২ অক্টোবৰৰ গান্ধী-জয়ন্তীৰ দিনা গান্ধীমণ্ডপমত ৰক্ষিত ভস্ম-কলসত যি অপূৰ্ব সূৰ্য্যকিৰণ পৰে, সেই অপৰূপ দৃশ্য চাবলৈ হাজাৰ-বিজাৰ মানুহ ইয়ালৈ আহে।

সমুদ্ৰতটৰপৰা আধা কিল'মিটাৰমান ভিতৰ-সমুদ্ৰত এচটা ডাঙৰ শিলাই মূৰ দাঙি সগৰ্বে থিয় হৈ থকা



পৰিলক্ষিত হয়। জনশ্ৰুতি মতে এই কথা কোৱা হয়, এই সুৰম্য-সুন্দৰ শিলচটাৰ ওপৰত উপবেশন কৰি দেৱী কন্যাকুমাৰীয়ে ভগবান শিৱলৈ একমনে প্ৰাৰ্থনা জনাইছিল।

মহান সন্ন্যাসী তথা ধৰ্মসুধাৰক-সমাজ-



গান্ধীমণ্ডপম

সংস্মাৰক স্বামী বিবেকানন্দই ১৮৯২ চনৰ ডিছেম্বৰ মাহত এই শিলাৰ ওপৰত উপবেশন কৰি একেৰাহে তিনি দিন-তিনি নিশালৈ ধ্যান-মগ্ন হৈ আছিল।

বিবেকানন্দ শিলা-স্মাৰক ট্ৰাষ্টে ইয়াত বিবেকানন্দ-কেন্দ্ৰ নিৰ্মাণ কৰিলে। ১৯৭০ চনত এই কেন্দ্ৰৰ উদ্বোধন কৰা হৈছিল।

এই শিলাৰ ওচৰত আৰু এটা শিল আছে, য'ত তিৰুক্কুৰলৰ ৰচক সন্ত তিৰুবল্লুৱৰৰ তিনি মিটাৰ ওখ মূৰ্তি স্থাপিত হ'ব। এওঁৰ ৰচিত 'তিৰুক্কুৰল'ক 'তামিল-বেদ' বুলি অভিহিত কৰা হয়।

কন্যাকুমাৰিকাৰপৰা কিছু দূৰত আছে মাৰুতমলৈ পাহাৰ, যি-পাহাৰত সুপ্ৰচুৰ ঔষধিবৃক্ষ পৰিলক্ষিত হয়।

স্থানীয় জনশ্ৰুতি অনুসাৰে : ৰাম-ৰাৱণৰ যুদ্ধত যেতিয়া লক্ষ্মণ শক্তিশেলেৰে আহত হৈ অৰ্ধমৃতহেন হৈছিল, তেতিয়া হনুমানক এই ঔষধি পাহাৰৰপৰা মৃতসঞ্জীৱনীবৃক্ষ লৈ যাবলৈ আদেশ দিয়া হৈছিল। হনুমানে মৃতসঞ্জীৱনীবৃক্ষ চিনি উলিয়াব নোৱাৰি সমগ্ৰ পাহাৰটোকে দাঙি লৈ যাওঁতে সেই পাহাৰৰ একাংশ খহি পৰি আজিৰ এই মাৰুতমলৈ পাহাৰৰ সৃষ্টি কৰিছিল। ইয়াত যিটি শিৱলিঙ্গ আছে, সেই শিৱলিঙ্গ স্বয়ং হনুমান-প্ৰতিষ্ঠিত বুলি জনশ্ৰুতি।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996



মানপূজাপহাৰা

দিব্যশাস্ত্ৰী নামৰ ৰূপনগৰীয়া পুৰোহিত এজনৰ দুজনী ছোৱালী আছিল। তেওঁৰ পাৰিবাৰিক অৱস্থাও আছিল স্বচ্ছল। কিন্তু এটা কথাত তেওঁৰ বৰ দুখ, তেওঁৰ কোনো পুত্ৰসন্তান নাই।

এবাৰ কোদণ্ড গাঁৱৰ লঘুশাস্ত্ৰী নামৰ এজন পুৰোহিত ৰূপনগৰীয়া ধনৱান ব্যক্তি এজনৰ ছোৱালীৰ বিবাহত পৌৰোহিত্য কৰিবলৈ ৰূপনগৰ গাঁৱলৈ আহিল আৰু তেওঁক দিব্যশাস্ত্ৰীয়ে তেওঁৰ পুত্ৰহীনতাৰ দুখৰ কথা লঘুশাস্ত্ৰীৰ ওচৰত ব্যক্ত কৰাত লঘুশাস্ত্ৰীয়ে দিব্যশাস্ত্ৰীক ক'লে, "আমাৰ গাঁৱত মালৱিকা-উছৱৰ দিনা এক অগ্নি কুণ্ড প্ৰজ্জ্বলিত কৰা হয়। সেই প্ৰজ্জ্বলিত অগ্নিকুণ্ডৰ মাজেদি গৈ কোনোবাই যদি পুত্ৰসন্তানৰ কামনা কৰা হয়, পায়। গোকুলাষ্টমীৰ উছৱৰ দিনাই আমাৰ মালৱিকা-উছৱো পতা হয়। মোৰো দুজনী ছোৱালী আছিল, পাছত অগ্নিকুণ্ডৰ মাজেদি গৈ প্ৰাৰ্থনা কৰাত পুত্ৰ পালোঁ।"

লঘুশাস্ত্ৰীৰ কথা শুনি দিব্যশাস্ত্ৰীয়ে নিৰ্ণয় কৰিলে যে তেওঁ মালৱিকা-উছৱৰ দিনা কোদণ্ড গাঁৱলৈ যাব, প্ৰজ্জ্বলিত অগ্নিকুণ্ডৰ মাজেদি গৈ পুত্ৰসন্তানৰ বাবে গোসাঁনীলৈ প্ৰাৰ্থনা জনাব, আৰু পুত্ৰ লাভ কৰি মৰাৰ পাত নৰকদণ্ডৰপৰা ৰেহাই পোৱাৰ দিহা কৰিব।

ভালেমান দিনৰ পাছত, গোকুলাষ্টমীৰ আগদিনা, কৃষ্ণ-পূজা কৰাৰ অন্তত দিব্যশাস্ত্ৰী কোদণ্ডলৈ বুলি ৰাওনা হ'ল। গৈ গৈ তেওঁ যেতিয়া কোদণ্ড গাঁৱৰ দুৱৰীয়া চিত্ৰাগাঁও পালেগৈ, তেতিয়া

শ্ৰী শ্ৰীকৃষ্ণ শাস্ত্ৰী



আকাশখনক ক'লীয়া ডাৱৰে ঢাকি ধৰিছে। দিব্যশাস্ত্ৰীয়ে ভাবিলে: এনে অৱস্থাত আজি আৰু আগ বঢ়াটো সমীচীন নহ'ব, বৰষুণত তিতিবৰ উপৰিও সাঁজ লাগি ভাগিব আৰু তেতিয় আন্ধাৰে-মুন্ধাৰে ঢেৰ কষ্ট হ'ব। গতিকে—তেওঁ বাটকৰা এজনক নিজৰ চিনাকি দিলে, আৰু সেই বাটকৰাজনে দিব্যশাস্ত্ৰী পুৰোহিতক চিত্ৰা গাঁৱৰ পুৰোহিতৰ ঘৰলৈ পৌছাই দিলে।

চিত্ৰা গাঁৱৰ পুৰোহিত প্ৰাণপ্ৰজ্ঞই দিব্যশাস্ত্ৰীয়ে কোদগুলৈ যোৱাৰ উদ্দেশ্যৰ কথা শুনি বিস্ময় প্ৰকাশ কৰি দিব্যশ স্ত্ৰীক ক'লে, "মহাশয়, আমি বেদজ্ঞ পণ্ডিত হোৱা সত্বেও বৰ অজ্ঞানেই হৈ আছোঁ। আপোনাৰ দুজনী ছোৱালী। যদি অগ্নি-কুণ্ডৰ মাজেদি গৈ প্ৰাৰ্থনা কৰি পুত্ৰসন্তান লভে—ভালেই। কিন্তু এইবাৰো যদি পুত্ৰ নহৈ পুত্ৰী হয়? তেতিয়া দেখোন তিনিজনীৰ বিবাহ পাত্তিবলৈ আপোনাৰ নাভিশ্বাস উপস্থিত হ'ব।"

"জন্ম দিয়ে যিজনে, কৰ্মও কৰে সেইজনে। সকলো ঈশ্বৰৰ হাতত। মৃত্যুৰ অন্তত পিতৃলোকত সুখৰে থকাৰ বাবে সামান্য পিণ্ড দান কৰা পুত্ৰ এটি লভিলেই মোৰ লেঠা গুচিব।" দিব্যশাস্ত্ৰীয়ে ক'লে।

চিত্ৰাগাঁৱৰ পুৰোহিত প্ৰাণপ্ৰজ্ঞই মৃদুকৈ হাঁহিৰে মৌন হৈ থাকিল।

ইতিমধ্যে খোৱা-বোৱাৰ আয়োজন সম্পূৰ্ণ হৈছিল। খোৱাৰ বাবে আহ্বানি লৈ যাবলৈ প্ৰাণপ্ৰজ্ঞৰ পত্নী প্ৰিয়ম্বদা নিজেই আহিল। দুয়ো আহাৰত বহিল। তেতিয়া দিব্যশাস্ত্ৰীয়ে প্ৰাণপ্ৰজ্ঞক সুধিলে যে তেওঁৰ ল'ৰা-ছোৱালী কেইটি।

প্ৰাণপ্ৰজ্ঞই উত্তম দিবলৈ নৌপাওঁতেই প্ৰিয়ম্বদাই কৈ উঠিল, "মহাশয়, মই মোৰ পিতাদেউৰ একমাত্ৰ পুত্ৰী। অৱশ্যে—মোৰ ককাইদেউৰ এজনো আছিল। আম দেউতাৰো এই আশা আছিল যে—নৰকবাসৰপৰা বেহাই পৰলৈ পুত্ৰ এটি পাওক। তেওঁও এই একেই কাৰণতে সেই মালৰিকা-গো সাঁ নী ৰ নামত জলোৱা অগ্নিকুণ্ডৰ মাজেদি গৈ পুত্ৰসন্তানৰ বাবে

প্ৰাৰ্থনা কৰিছিল; আৰু পুত্ৰসন্তান পাইছিল। কিন্তু সেই পুত্ৰই তাৰ বিছ বছৰ বয়সত মৃত্যুলোক পালেগৈ আৰু প্ৰায় লগে লগেই পুত্ৰশোকত মাতৃও ঢুকাল। পৌৰোহিত্যৰ বাহিৰে আমাৰ দেউতাৰ জীৱিকাৰ আন কোনো সংস্থান নাছিল। তেওঁ আন এজন যুৱকক পৌৰোহিত্যৰ শিক্ষাদান কৰি একেলগে জোঁৱাই আৰু পুত্ৰ লাভ কৰিছিল — সেই নৰকবাসী হোৱাৰ ডৰতে।"

এই কথাত বিদ্যাশাস্ত্ৰীৰ মনত প্ৰিয়ম্বদাৰ পিতৃলৈ পুতৌ উপজিল। তেওঁ প্ৰিয়ম্বদাক ক'লে "আই, শাস্ত্ৰমতে— ভোজনত বহি মৌন হৈ থাকিব লাগে। তথাপি, মই এই প্ৰসংগত দুই-চাৰিৰ নকৈ নোৱাৰিছোঁ।—পুত্ৰ হওক বা পুত্ৰী —সৃষ্টিত উভয়েই সমান। পুত্ৰ-সন্তানৰ তুলনাত কন্যা-সন্তান কোনাগুণে হীন নহয় যে তাৰ দেখ দেখ প্ৰমাণ হ'ল— আমাৰ গায়ত্ৰী পূজাৰ মূলধাৰ হ'ল নাৰী, বিদ্যাৰ মূলাধাৰ সৰস্বতী নাৰী, সম্পদৰ অধিষ্ঠাত্ৰীও লক্ষ্মীদেৱী—নাৰী। এইবোৰ সত্যলৈ আমি উপেক্ষা প্ৰদৰ্শন কৰাটো অন্যায় তথা মূৰ্খতাও। কিন্তু আমি পুৰুষ-পৰম্পৰাৰপৰা চলি অহা অন্ধ-বিশ্বাসৰ দাস হৈ আছোঁ। এতেকে—অগ্নিকুণ্ডৰ মাজেদি গৈ প্ৰাৰ্থনাৰ অন্ততো যদি মই পুত্ৰী লাভ কৰোঁ, তেনেহ'লে সেই পুত্ৰীক পুত্ৰজ্ঞানে

প্ৰতিপালন কৰি জগতক জেখুৰাই দিম যে পুত্ৰীৰ সলনি পুত্ৰৰ কামনা কিমান অন্ধ-কামনা।"

"আপুনি নিশ্চয় পুত্ৰ লাভ কৰিব। তথাপি কওঁ—আপোনাৰ মাজত থকা এই সুউজ্জ্বল সদিচ্ছাৰ পোহৰ সকলোটিৰ অন্তৰত বিয়পক— এয়ে মোৰো অন্তৰৰ একান্ত বাসনা।" প্ৰিয়ম্বদাই আবেগ-গধুৰ কণ্ঠেৰে ক'লে।

অগ্নিকুণ্ডৰ মাজেদি যোৱাৰ এবছৰৰ মূৰকত দিব্যশাস্ত্ৰীয়ে যঁজা 'পুত্ৰ-কন্যা লভিলে। একেলগেই পুত্ৰ-আৰু কন্যা উপজিল। এই যঁজা ল'ৰা-ছোৱালী দুটিৰ অংগীভংগী, ধা-ধৰণ, চাৰন-কথন, খোৱা-লোৱাৰ অভ্যাসো একেই। দিব্যশাস্ত্ৰীয়ে

পুত্র-কন্যা দুটিৰ নাম দিলে শিৱ-ৰমা।

বহুতেই বিৰোধিতা কৰিছিল—কিন্তু দিব্যশাস্ত্রীয়ে শিৱৰ সৈতে ৰমাকো একেদৰেই পঢ়া-লিখা শিকাৰ বন্দৰস্ত কৰিছিল। শিৱ-আৰু ৰমা— উভয়েই কালক্রমে সমান দক্ষতাৰে বিদ্বান হৈ উঠিল। গাঁৱৰ জমিদাৰৰ পুৰোহিতৰ পুত্রৰ সৈতে তেওঁৰ প্রথমজনী ছোৱালীৰ বিয়া হ'ল। দিব্যশাস্ত্রীৰ জীৱনধাৰা সম্পূর্ণ পৰিবর্তিত হ'ল। কোনো প্রয়াস-প্রচেষ্টা নকৰাকৈয়েই দ্বিতীয় ছোৱালীৰ বিয়াখনো সুকলমে-সসন্মানে হৈ গ'ল।

ৰাইজে শিৱ আৰু ৰমাৰ বিদ্বাৰত্তাৰ শলাগ লোৱা হ'ল। শিৱ-ৰমাৰ বিদ্বাৰত্তাৰ কথা গাঁৱৰ জমিদাৰেও জ্ঞাত হ'ল। জমিদাৰ ডাঙৰীয়াই ৰাজহুভাৰে দুয়োৰে মান ধৰিবলৈ সভা এখন আহ্বান কৰিলে।

কিন্তু জমিদাৰ ডাঙৰীয়া সভাসদ সংস্কৃতবিশাৰদ পণ্ডিতশ্রেষ্ঠ গৌৰিনাথ তর্কালঙ্কাৰে জমিদাৰ ডাঙৰীয়াই আহ্বান কৰা এই সভাৰ কথাটোত মুঠেই ভাল নাপালে। তেওঁ জমিদাৰক ক'লে, সিহঁত যদি প্রকৃততেই পণ্ডিত, মান ধৰাত কোনো প্রশ্ন নাই। কিন্তু সিহঁতৰ পাণ্ডিত্যৰ পৰীক্ষা ল'ব লাগে।

সভাৰ দিনা — সভাস্থলতে সমূহ ৰাইজৰ উপস্থিতিত গৌৰিনাথ তর্কালঙ্কাৰে শিৱ আৰু ৰমাক—মাৰা. নৰ, পুৰা, জাৰা, পৰা, হৰা শব্দেৰে একাকি সন্মিলিত পদ্য ৰচি শুনাবলৈ কোৱাত সিহঁতে ক'লে, "মানপূজাপহাৰা।"

গৌৰিনাথ তর্কালঙ্কাৰে তলমূৰ হৈ ক'লে, "মান-ৰ অর্থ হ'ল—আদৰ, পূজা হ'ল—সৎকাৰ, অপহাৰা হ'ল —তপ। ক'বই লাগিব — এই ধুৰা-যুৱতীদ্বয়ে প্রকৃততেই প্রকৃত পাণ্ডিত্য আর্জিলে।"

জমিদাৰ ডাঙৰীয়াই প্রকাশ্য সভাত শিৱ আৰু ৰমাৰ সমক্ষতে আদৰ কৰি শলাগৰ শৰাই আগ বঢ়োৱাৰ উপৰিও দুয়োকে তেওঁৰ সভাত উচ্চ স্থান দিলে।



সোণালী দুৱাৰ ৮

২.

চৌদিশে বৰফ আৰু বৰফ – আৰু তাৰে মাজতে এই শিৱলিঙ্গ। এই শিৱলিঙ্গও বৰফৰ। সমুদ্ৰপৃষ্ঠৰপৰা প্ৰায় ১৩০০০ ফুট উচ্চতাত ওলমি থকা বৰফেৰে গঠিত এই শিৱলিঙ্গ জোনৰ কলেৱৰ বৃদ্ধিৰ লগে লগে বাঢ়ে, আৰু জোনৰ কলেৱৰ হ্ৰাস পোৱাৰ লগে লগে হ্ৰাস পায়।

এই শিৱদ'ল ক'ত অৱস্থিত ?

১. এই মন্দিৰ হ'ল ৰাজস্থানৰ অন্যতম সুৰম্য জৈন মন্দিৰ। এই মন্দিৰ ১৪৩৯ চনত নিৰ্মিত হৈছিল। এই মন্দিৰ ২৯টি বৃহৎ বৃহৎ কক্ষ আছে, আৰু আছে ১৪৪৪টি সুদৃশ্য স্তম্ভ। কিন্তু এই স্তম্ভৰ সমদলৰ প্ৰতিটি স্তম্ভৰে নিৰ্মাণশৈলী স্বকীয়া ধৰণৰ, কোনো দুটা স্তম্ভ দেখাত এক প্ৰকাৰৰ নহয়।

এই মন্দিৰ ক'ত আছে আৰু কেতিয়া সজা হৈছিল ?

৩.

বাঁওফালে যি সুপ্ৰাচীন আখৰবোৰ দেখা গৈছে, সেয়া হ'ল পৃথিৱীৰ অন্যতম সুপ্ৰাচীন সিন্ধু-সভ্যতাৰ কালৰ জনসাধাৰণে ব্যৱহাৰ কৰা আখৰ। সোঁফালে থকা আখৰবোৰ বাঁওফালৰ আখৰবোৰৰ সৈতে প্ৰায় হুবহু। সোঁফালৰ আখৰবোৰ ক'ত ব্যৱহৃত হৈছিল ?

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996

ছাপ তুলি নক্‌সা কৰাঁ।



কাগজত, কাপোৰত, টি-শ্বাৰ্টত আৰু গাদীৰ ঢাকনিত কেনেকৈ তোমাৰ মনে-খোৱা নক্‌সা কৰিবা ? 'অতি সহজ !



১. এখিলা ডাঠ কাগজ বা প্লাস্টিক শ্বিট লোৱাঁ। আৰু তাৰ ওপৰত তোমাৰ মনে-খোৱা বিভিন্ন ধৰণৰ নক্‌সাৰ ছাপ তোলাঁ। পোনতেসহজ-সৰল নক্‌সা.ল'বা।

২. এতিয়া, নক্‌সাৰ কাগজ নক্‌সাৰ আকাৰ অনুযায়ী কাটি লোৱাঁ। আৰু এইবাৰ তোমাৰ স্টেনছিল ৰেডি হ'ল।

৩. তোমাৰ মনে খোৱা ৰং কিছু গাঢ়কৈ মিহলাই লোৱা। তাৰ পাছত বগা বা ৰঙিন ড্ৰয়িং পেপাৰৰ ওপৰত সেই নক্‌সাবোৰ টানকৈ ধৰি ডাঠ ব্ৰাছেৰে নক্‌সাবোৰত অতি সাৱধানতাৰে নিখুঁতকৈ ৰং ভৰোৱা।



৪. আৰু এতিয়া সেই নক্‌সাৰে চিত্ৰত থকাৰ দৰে কেইবাটাও ছাপ অতি যত্নেৰে সৈতে তোলাঁ।

৫. কাপোৰত বা টি-শ্বাৰ্টত এই নক্‌সা কৰোঁতে 'ফেব্ৰিক পেইণ্ট' ব্যৱহাৰ কৰিবা। কাপোৰ বা টি-শ্বাৰ্ট আদি চেপেটাকৈ ৰাখি, অৰ্থাৎ সমতলকৈ ৰাখি নক্‌সা তুলিবলৈ মাপাহাৰিবা। এডোখৰ কাৰ্ডবোৰ্ডৰ সৈতে পিন্ কৰিও এই কাম কৰিব পাৰা।

যিকোনো চিত্র ডাঙৰ কৰাৰ উপায়



যদি চিত্র ডাঙৰ কৰিব লাগে এইদৰে কৰিব পাৰা :

১. এডাল কলমাৰি আৰু পেন্সিল লোৱা। চিত্রত দেখুউৱাৰ দৰে ১ ছে.মি. স্কোয়েৰাৰৰ ছক আঁকা।
২. এডোখৰ ড্রয়িং পেপাৰত একেইবোৰ ঘৰ থকা ২ ছে. মি. স্কোয়েৰাৰৰ ছক এখন আঁকা।
৩. এতিয়া, প্রতিটো ঘৰৰ তথা ছকৰ লাইনবোৰ নকল কৰাঁ।



পেঙ্গুইন সাজঁা

১. ওপৰত কোৱা মতেই এডোখৰ ডাঠ কাগজত এই পেঙ্গুইনৰ চিত্রখনৰ নকৃসা তোলাঁ।
২. ৰঙা ৰঙৰ লাইন ধৰি চিত্রখন অতি সুন্দৰকৈ কাটি লোৱাঁ।
৩. বিন্দু থকা লাইন মতে ভাঁজ কৰাঁ। তাৰ পাছত ডিঙিত ধৰি হেঁচি দিয়া। ডেউকাবোৰ ঠেলি মেলি দিয়া। ভৰি দুখন আঁজুৰি আনা।

তোমাৰ পেঙ্গুইন ৰেডি হ'ল।

উট আঁকা—তিনিভাল সহজ ৰেখাৰে

সোণালী দুৱাৰ-৭

উত্তৰ ঃ



১. গোল গুম্বজ নামৰ এই সমাধিসৌধ হ'ল বিজাপুৰৰ সপ্তম ছুলতান মোহাম্মদ আদিল শ্বাহৰ সমাধিসৌধ। এই সমাধিসৌধ পৃথিৱীৰ দ্বিতীয় বৃহত্তম।

২. জাটিঙ্গা, অসম।

৩. বাহাই ধৰ্মৰ জনসাধাৰণৰ অৰ্চনাগৃহ। ১৯ শতিকাৰ পাৰস্যীয় অতীন্দ্ৰিয়বাদী বাহা'উল্লাই এই ধৰ্ম প্ৰতিষ্ঠা কৰিছিল।

৪. ডায়নোছোৰ হাতীলৈ ৰূপান্তৰিত হ'ল।

খেলিমেলি কমিক্‌ছ

সঠিক সংখ্যা হল ঃ ১, ৮, ৪, ৫, ৬, ২, ১০, ৭, ৯ আৰু ৩

মহাভাৰত

৩১

হনুমান কদলী-বনত শায়িত আছিল। ৰক্তবৰ্ণ মুখমণ্ডল, সেউজবুলীয়া চক্ষু, স্বৰ্ণবৰ্ণ দেহ, দীৰ্ঘবাহু হনুমান পথোপৰি পথালিকৈ নিদ্ৰাভিভূত হৈ আছিল। কিন্তু হনুমানক দেখা পাই ভীম অলপো ভীত নহ'ল। ভীমে হনুমানৰ নিচেই কাষত থিয় হৈ ভীম-ৰৱে সিংহনাদ (গৰ্জন) কৰিলে।

চকু মেলি চাই মিচিকি হাঁহিৰে হনুমানে শুই থাকিয়েই ভীমক ক'লে, "পুত্ৰ, মই বৃদ্ধ হ'লোঁ, বলহীন হ'লোঁ। ইয়াত বিশ্ৰাম লৈছোঁহি। মোক তুমি কিয় জাগ্ৰত কৰিলা—জানিব পাৰোঁনে? বয়সস্থসকললৈ যে কিছু আদৰ-যত্ন প্ৰদৰ্শন কৰিব লাগে—তুমি সেইকণো নাজানা যেন পাওঁ। কোৱাচোন, ইয়ালৈ তুমি আহিলা কিয়? ইয়াৰপৰা অলপমান আগুৱালেই দেৱতাসকলৰ নিবাসস্থল। তালৈ মনুষ্য-প্ৰবেশ নিষিদ্ধ। মোৰ নিষেধ যদি মানা, তেনেহ'লে এই স্থান পৰিত্যাগ কৰি এতিক্ষণ গুচি যোৱা।"

"মই কুৰু-বংশজ ক্ষত্ৰিয়। মোৰ নাম ভীমসেন। আপুনি কোন —মই জানিব পাৰোঁনে? যেই কি নহওক, মোক আগবাঢ়ি যাবলৈ দিয়ক।" ভীমে ক'লে।

"দেখিছাই—মই এটি বানৰ। কিন্তু এই পথৰপৰা মই নাতৰোঁ। জিদ নকৰি ইয়াৰপৰা গুচি যোৱা।" হনুমানে ক'লে।

"বাট নেৰিলে মই কিন্তু চুপ হৈ নাথাকোঁ। আপোনাক মই জবৰদস্তিকৈ হটাই দিম। মই মোৰ উদ্দেশ্য সিদ্ধ নকৰাকৈ ইয়াৰপৰা গুচি নাযাওঁ। মোক বাধা দিবলৈ কণমাত্ৰো চেষ্টাও নকৰক।"

'সৌগন্ধিক হৰণ'

“পুত্ৰ, মই বৃদ্ধ, স্বাস্থ্যহীন। ইয়াৰপৰা উঠাৰ শক্তিও মোৰ নাই। গতিকে—যদি আগুৰাই যাব লাগেই—মোক ডেই গুচি যোৱা।” হনুমানে ক’লে।

“এই কাৰ্য্য যে অতিশয় ক্ৰটিজনক, মই জানো। নহ’লে— হনুমানে সমুদ্ৰ-লংঘন কৰাদি ময়ো লংঘিলোহেঁতেন।” ভীমে ক’লে।

তেতিয়া হনুমানে ভীমক সুধিলে, “সেই হনুমাননো কোন? হনুমানে কিয় সমুদ্ৰ-লংঘন কৰিবলগীয়া হৈছিলনো?”

“মোৰ দৰে হনুমানো পৱনপুত্ৰ। অৰ্থাৎ হনুমান হ’ল — দৰাচলতে মোৰ জ্যেষ্ঠভ্ৰাতা। তেওঁৰ প্ৰতি মোৰ ভকতি, তথা শ্ৰদ্ধা অপাৰ। যিকোনো কাৰ্য্যাৰম্ভৰ আগতে মই তেওঁক সোঁৱৰোঁ, আৰু তেতিয়া মই অন্তৰত দুগুণ উৎসাহ লভোঁ। লংকাৰাজ ৰাৱণে ৰামচন্দ্ৰ-পত্নী সীতাদেৱীক অপহৰণ কৰাত মহান হনুমানে সমুদ্ৰ-লংঘিবলগীয়া হৈছিল আৰু লংকালৈ গৈ দুষ্টমতি ৰাৱণৰাজক উচিত শিক্ষা দিছিল। ময়ো কিন্তু সেই মহাশক্তিমান হনুমানৰ দৰেই শক্তিশালী-বলশালী। এতেকে—কথা মানি চুপচাপ বাট এৰি দিয়া, নহ’লে তোমাৰ অৱস্থা কাহিল হ’ব যে—শুনি থোৱা।” ভীমে একে উশাহতে ক’লে।

ভীমৰ দৰ্প কথা শুনি পেটে পেটে হনুমানৰ হাঁহি উঠিল, কিন্তু নাহাঁহিলে। হনুমানে নিৰ্লিপ্ত ভংগীৰে ক’লে, “পুত্ৰ, কিয় মোক অকাৰণ দিগ দিছা? তুমি মোৰ নেগুৰডাল বাটৰপৰা গুচোৱা আৰু হটাই আগুৱাই যোৱা।”

তেতিয়া ভীমে তুচ্ছভাৱে তেওঁৰ বাঁওহাতেৰে হনুমানৰ নেজ আঁতৰাবলৈ চেষ্টা কৰিলে, কিন্তু সেই নেজ চুলি-পৰিমাণো আঁতৰাব নোৱাৰিলে। এইবাৰ ভীমে তেওঁৰ দুয়োখন হাতেৰে সৰ্বশক্তিৰে নেজডাল হটাবলৈ চেষ্টা কৰিলে, কিন্তু এইবোৰ শক্তিমান ভীম ব্যৰ্থ হ’ল।

তেতিয়া লজ্জিত ভীমসেনে হাত যোৰ কৰি হনুমানক ক’লে, “মোক ক্ষমা কৰক। মই যিবোৰ বৰ বৰ কথা কৈছিলোঁ, অনুগ্ৰহ কৰি বিস্মৃত হওক। আপুনি

নিশ্চয় কোনোবাজন সিদ্ধপুৰুষ, নতু গন্ধৰ্ব। আপুনি সুনিশ্চিতভাবেই সাধাৰণ বানৰ মাত্ৰ নহয়। আপোনাৰ যদি আপত্তি নাই, আপোনাৰ কাহিনী দয়া কৰি মোক শুনাওক। মোক আপুনি আপোনাৰ শিষ্যৰূপে গণ্য কৰক।"

হনুমানে ক'লে, "পুত্ত, ময়েই হনুমান। এতিয়া কোৱাঁ, তুমি কি-কাৰণ এহি প্ৰদেশলৈ আহিলা?"

ভীমে হনুমানক সাষ্টাংগে প্ৰণাম কৰিলে আৰু ক'লে, "হে মহাত্মা, আপোনাৰ দৰ্শন লভি মোৰ জন্ম সাৰ্থক হ'ল। এতিয়া, মোৰ বাসনা, সমুদ্ৰ লংঘনৰ কালত আপোনাৰ সেই দেহৰূপৰ দৰ্শন দান কৰি মোক ধন্য কৰক।"

"সেই সিকালৰ দেহৰূপ দৰ্শোৱা মোৰ পক্ষে এতিয়া আৰু সম্ভৱ হ'বনে? সময়ৰ লগে লগে সকলো পৰিৱৰ্তিত হয়।" হনুমানে মৃদুকৈ হাঁহিৰে ক'লে।

তথাপি ভীমে কাকুতি-মিনতি কৰাত হনুমানে তেওঁৰ দেহ বিস্তৃত কৰি প্ৰায় আকাশলজ্ঘা হৈ ধৰাতলত সূৰ্য্যৰ দৰে প্ৰকাশমান হ'ল।

তাৰ পাছত, পুনৰ স্বাভাৱিক ৰূপ ধাৰণ কৰি ভীমক আলিংগন কৰি হনুমানে ক'লে, "এই পথ—সৌগন্ধিকা পুষ্পবনৰ পথ। গৈ থাকাঁ। তোমাৰ কল্যাণ হওক। যদি কিবা বিপদ-বিপাঙৰ সন্মুখীন হোৱাঁ,

মোক সুঁৱৰিবা। কিন্তু তুমি আপোন শৌৰ্য্যেৰে সৌগন্ধিকাপুষ্প বুটলিলে দেৱগণ ক্ৰোধিত হ'ব—তোমাৰ বিপদ হ'ব।"

ভীম তৎক্ষণাৎ সৌগন্ধিকাপুষ্পবনলৈ বুলি আগ বাঢ়ি গৈ থাকিল।

সৌগন্ধপুষ্পবন পাই, তাত অজস্ৰ ফুল ফুলি থকা দেখি, ভীমে ফুল বুটলিবলৈ হাত দাঙোতেই এক বিৰাট ৰাক্ষস-প্ৰহৰীয়ে ভীমক ক'লেহি, "মহাশয়, আপুনি কোন? অস্ত্ৰৰে সৈতে ইয়ালৈ প্ৰবেশ কৰিছেহি কিয় ক'বনে?"

"মই কুৰু-বংশজ পাণ্ডুৰজাৰ পুত্ৰ, ধৰ্মৰাজৰ ভাতৃ। এই পুষ্প চয়ন কৰি নিবলৈ ইয়ালৈ আহিছোঁ।" ভীমে ক'লে।

"এই বন কুবেৰৰ বন। এই বনত

মনুষ্য-প্ৰবেশ নিষিদ্ধ। কুবেৰৰপৰা অনুমতি লৈহে আপুনি পুষ্প চয়ন কৰিব পাৰে, নতু একোপধ্যে নোৱাৰে।" ৰাক্ষসে ক'লে।

"কুবেৰ ক'ত, মই জ্ঞাত নহওঁ। আৰু সামান্য সংখ্যক পুষ্পৰ বাবেও অনুমতি ল'ব লাগিবনে? মই ক্ষত্ৰিয়, আপোন বাহুবলেৰে অধিকাৰ কৰাটো আমাৰ ধৰ্ম। এই পুষ্পবন কুবেৰৰ নিজা সম্পত্তি নহয়, এই পুষ্পবন ভগৱানৰ সৃষ্টি। গতিকে— কোনেও কাৰোপৰা অনুমতি গ্ৰহণৰ প্ৰশ্নয়েই নুঠে।"

ৰাক্ষস-প্ৰহৰীয়ে তথাপি ভীমক পুষ্প বুটলিবলৈ নিষেধ কৰিলে; কিন্তু ভীমে সেই সৌগন্ধিকাপুষ্প বুটলি আনিবলৈ আগ-পাছ নুগুণি সৰোবৰত নামিল।

তেতিয়া ৰাক্ষস-প্ৰহৰীয়ে ভীমক আক্ৰমণ কৰিলে, আৰু ভীমে তেওঁৰ টাঙোনেৰে ৰাক্ষসৰ পিঠিত বাবৰি ফুল বাছিলে। এই দৃশ্য চাই আন কিছুমান ৰাক্ষস দৌৰি গ'ল কুবেৰৰ ওচৰলৈ।

কুবেৰে সেই ৰাক্ষসবিলাকক ক'লে, "ভীমক সৌগন্ধিকাপুষ্প বুটলি ল'বলৈ দিয়া, কোনেও বাধা নিদিয়া।"

ইপিনে— ধৰ্মৰাজে ভীমক দেখা নাপাই দ্ৰৌপদীক ভীমৰ কথা সোধাত দ্ৰৌপদীয়ে ক'লে যে সৌগন্ধিকাপুষ্প আনিবলৈ ভীম ঈশানকোণলৈ গ'ল।

তেতিয়া ঘটোৎকচে পাণ্ডৱসকলোকে —ভীম য'ত আছিল—তালৈকে লৈ গ'ল।

ভীমে দ্ৰৌপদীক সৌগন্ধিকা পুষ্প দিলে। পাণ্ডৱসকলে কুবেৰৰপৰা অনুমতি লৈ অৰ্জুনৰ প্ৰতীক্ষাত গন্ধমাদন পৰ্বতত ৰৈ দিলে। ঘটোৎকচে তেওঁলোকক নৰ-নাৰায়ণৰ আশ্ৰমলৈ লৈ গ'ল।

তাত থাকোঁতে, এদিন জটাসুৰ নামৰ ৰাক্ষস এটাই দ্ৰৌপদীক হৰণ কৰিবলৈ ব্ৰাহ্মণবেশ ধাৰণ কৰি ধৰ্মৰাজৰ কাষ চাপিল। ব্ৰাহ্মণবেশী জটাসুৰে নিজক পৰাশুৰামৰ শিষ্যৰূপে চিনাকি দিলে, আৰু ক'লে যে সি সৰ্বপ্ৰকাৰৰ যুদ্ধ তথা অস্ত্ৰ-বিদ্যাতো নিপুণ। ধৰ্মৰাজে তাৰ কথাত পতিয়ন গৈ তাক তেওঁলোকৰ লগত থাকিবলৈ দিলে।

Sankar

কিন্তু এদিন যেতিয়া পাণ্ডৱসকল চিকাৰলৈ ওলাল — তেতিয়া এছেগত পাণ্ডৱসকলৰ অস্ত্ৰশস্ত্ৰ, তিনিজন পাণ্ডৱ আৰু লগতে দ্ৰৌপদীকো অপহৰণ কৰি ব্ৰাহ্মণবেশী জটাসুৰ পলাই যাবলৈ ধৰিলে।

বহু চেষ্টাৰে সহদেৱ জটাসুৰৰ কবলৰ-পৰা পলাল আৰু ভীমৰ নাম কাঢ়ি চিঞৰি চিঞৰি মাতিবলৈ ধৰিলে।

ভীম তৎক্ষণাৎ — যেনিবা আকাশ ফালি উপস্থিত হ'লহি আৰু চকুৰ পচাৰতে ব্ৰাহ্মণবেশী জটাসুৰক গবা মাৰি ধৰি, শূন্যত কেইপাকমান ঘুৰাই, দলিয়াই পেলাই জটাসুৰক বধিলহি।

তাৰ পাছত সকলোটি পুনৰ আশ্ৰমলৈ উভতি গ'ল। অৰ্জুন তেতিয়ালৈকো উভতি অহা নাছিল। পাণ্ডৱসকলে অৰ্জুন ফিৰি অহালৈ বাট চাই সেই নয়নাভিৰাম শোভাময় প্ৰকৃতিৰ মাজত সময় অতিবাহিত কৰি থাকিল।

এদিন—চাৰিওজন পাণ্ডৱ এঠাইত বহি থাকোঁতে আকাশৰপৰা এক বায়ুযান নামি অহা দেখা পালে। আৰু স্বৰ্গৰপৰা নামি অহা সেই বায়ুযানৰপৰা অৰ্জুন ওলাই আহিল।

পাণ্ডৱসকলে ইন্দ্ৰৰ আকাশীৰথখনৰ বৰ্ণনাতীত সৌন্দৰ্য্য চাবলৈ ধৰিলে। ৰথৰ সাৰথি মাতলিলৈ তেওঁলোকে আদৰণি জনালে আৰু মাতলিয়ে তেওঁলোকৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদানি তেওঁলোকক পৰম পৰিতুষ্ট কৰাৰ অন্তত পুনৰ ৰথ-চলাই আকাশপথেৰে স্বৰ্গলৈ গমন কৰিলে।

দেৱৰাজ ইন্দ্ৰই অৰ্জুনক অনেক ধৰণৰ দিব্যাস্ত্ৰ প্ৰদান কৰিছিল। সেই দিব্যাস্ত্ৰসমূহ অৰ্জুনে ধৰ্মৰাজক আৰু দ্ৰৌপদীকো এটি এটিকৈ দেখুৱালে আৰু স্বৰ্গৰ কত কথা সবিস্তাৰে ক'লে।

অৰ্জুনে ক'লে, "দিতিৰ দুজনী পুত্ৰী। দুজনীৰ নাম হ'ল — পুলোমা আৰু কালকা। দুয়োজনীয়েই কঠোৰ তপস্যাৰে ব্ৰহ্মাক প্ৰসন্ন কৰি বৰ লাভ কৰিছিল। ব্ৰহ্মাই কি বৰ লাগে বুলি সোধাত সিহঁতে প্ৰথম বৰ সিহঁতৰ সন্তানক দানৱে বা দেৱতায়ো বধিব নোৱাৰা

বৰ প্ৰাৰ্থনা কৰিলে, আৰু দ্বিতীয় বৰত হিৰণ্য নগৰত বসবাসৰ অধিকাৰ প্ৰাৰ্থনা কৰিছিল। ব্ৰহ্মাই দুয়োটা বৰেই সিহঁতক দিছিল।

এই বৰ লভি পুলোমা আৰু কালকেয় দেৱতাসকলৰ প্ৰতি উপেক্ষা প্ৰদৰ্শন কৰি হিৰণ্যনগৰত বসবাস কৰিবলৈ ধৰিলে। সেই কালকেয় দানৱক বধ কৰিহে—মই সেই নগৰলৈ প্ৰবেশ কৰিছিলোঁগৈ। ৰথ চলোৱাটো মোৰ পক্ষে কঠিন হৈ উঠিছিল, কিয়নো—বাটত অসংখ্য দানৱৰ মৃতদেহ দ'ম খাই পৰি আছিল। নগৰত তেতিয়া দানৱ-তিৰোতাহঁতে প্ৰাণভয়ত হুৰাওৱাৰে ক্ৰন্দন কৰিছিল।

এই নগৰত প্ৰথমতে দেৱতাসকলেই বসবাস কৰিছিল।

দেৱৰাজ ইন্দ্ৰও একালত এই নগৰতে বসবাস কৰিছিলহি।

কিন্তু ব্ৰহ্মাৰপৰা বৰ লভি দানৱহঁতে তাৰপৰা দেৱতাসকলক খেদিছিল। এইবোৰ আৰু অন্য অন্য বহুতো কথা মাতলিয়ে মোক কৈছিল।

ইন্দ্ৰই ব্ৰহ্মাক সুধিছিল যে পুলোমা আৰু কালকেয়ক কি উপায়েৰে বধ কৰিব পৰা হ'ব, তেতিয়া ব্ৰহ্মাই উত্তৰত কৈছিল যে দেৱ-দানৱৰ মাজত কোনোবাইহে এই কাৰ্য্য কৰিব পাৰিব। ইন্দ্ৰই এই কাৰ্য্যৰ দায়িত্ব মোৰ ওপৰত সমৰ্পণ কৰাত মই কালকেয়ক বধি সেই হিৰণ্যনগৰত পুনৰ দেৱতাৰ অধিকাৰ প্ৰতিষ্ঠিত কৰি দিলোঁ। আৰু—"

অৰ্জুনৰ কথা সমাপ্ত নোহওঁতেই তালৈ নাৰদমুনি আৱিৰ্ভূত হ'ল আৰু নাৰদমুনিয়ে অৰ্জুনক ক'লে, "হে অৰ্জুন, অকাৰণে, বা সামান্য কাৰণতো দিব্যাস্ত্ৰৰ প্ৰয়োগ কদাপি নকৰিবা, যদি কৰা, তেতিয়া কিন্তু হিতে বিপৰীতহ'ব। তুমি যেতিয়া যুদ্ধকালত দিব্যাস্ত্ৰৰ প্ৰয়োগ কৰিবা, মই উপস্থিত হ'ম।" এই বুলি কৈয়েই নাৰদ অন্তৰ্হিত হ'ল। [আগলৈ

চান্দমামাৰ চিংফৌ নাঙল

শান্তিয়নী

শত্ৰুক কেনেকৈ ভেটিব লাগে ? ধুমুহাৰ দৰে কেনেকৈ শত্ৰুৰ ওপৰত জঁপিয়াই পৰিব লাগে ? যুদ্ধত কেনেকৈ কি কৰিব লাগে ? এনেবোৰ শিক্ষা (বা কুশিক্ষা, যি কয়) দিয়া প্ৰতিষ্ঠানৰ কথা আমি জানো। কিন্তু—চুবুৰীয়া দেশৰ সৈতে কেনেকৈ সম্ভাৱ বজায় ৰাখিব লাগে—মিত্ৰতাৰে কেনেকৈ বান্ধ খাব আৰু খুৱাব লাগে — শান্তিপূৰ্ণতাৰে কেনেকৈ দেশ চলাব লাগে - জীৱন অতিবাহিত কৰিব লাগে ? এনেবোৰ সুশিক্ষা (বা অনাশিক্ষা, যি কয়) দিয়াৰ প্ৰতিষ্ঠানৰ কথা কেতিয়াবা শুনিছেনে বাৰু ? এনেকুৱা শিক্ষাদানৰ বাবে এখন 'শান্তি বিশ্ববিদ্যালয়' স্থাপন কৰাৰ উদ্যোগ চলি আছে মহাৰাষ্ট্ৰৰ পুনে (বা পুনা)ৰ সমীপস্থ সুবিখ্যাত জ্ঞানী জ্ঞানেশ্বৰৰ নিবাসস্থল আলণ্ডী নামৰ সৰু চহৰখনত। এই বিশ্ববিদ্যালয়ৰ সম্পূৰ্ণ নাম হ'ল : 'ইউনাইটেড আৰ্থ পীছ ইউনিভাৰ্ছিটি'। যোৱা জানুৱাৰি মাহত এই শান্তি-বিশ্ববিদ্যালয়ৰ শিলান্যাস কৰা হ'ল। এই আঁচনি সম্পূৰ্ণ কৰাৰ বাবে ৩০ কৌটিমান আমেৰিকান ডলাৰৰ আৱশ্যক হৈছে।

পদ্য প্ৰাচীৰ !

চীনদেশৰ হুনান প্ৰদেশৰ চাংগ্‌ডে নগৰত বান-পানীক বাধা দিবৰ বাবে ২'৫ কি. মি. দীঘল এক অতি মজপুত প্ৰাচীৰ লিখিত সজা হ'ব ধৰিছে। নগৰৰ ৰাইজৰ বক্তব্য হ'ল যে—এই প্ৰাচীৰ কেৱল বান-বাধাৰ প্ৰাচীৰ নহৈ অন্য উপযোগিতাৰ প্ৰাচীৰো হওক। তেওঁলোকৰ ইচ্ছা যে এই প্ৰাচীৰৰ গাত—প্ৰাচীন আৰু আধুনিক কবিসকলৰ ১০০০ পদ্য লিখিত হওক। ১৯৪৯—১৯৭৬ চনলৈকে বিশ্ববিদিত নেতা মাও জে দঙে (মাও চে তুং) চীনদেশৰ সমাজতান্ত্ৰিক শাসনভাৰ চম্ভালিছিল। তেওঁৰ জন্মস্থান আছিল এই চাংগ্‌ডে নগৰৰ ওচৰত। এই প্ৰসংগক্ৰমে কোৱা যুগুত হ'ব যে—মাও জে দং চীনদেশৰ এগৰাকী মহান কবি।

আকাশত ধোঁৱা-চাং !

নগৰ-চহৰত জাবৰ-জোথৰত যেতিয়া জুই লগোৱা হয়, তেতিয়া বৰকৈ ধোঁৱা ওলায়। ধোঁৱাক আমি মাথোন ধোঁৱা বুলিয়েই জানো আৰু মানো। কিন্তু ধোঁৱা কেৱল ধোঁৱা নয়—ধোঁৱাও এবিধৰ শক্তি, যদিও এই শক্তিৰ উপযোগ অদ্যাপি হোৱা নাই। টাইৱানত এই ধোঁৱা-শক্তিৰ উপযোগিতাক কামত লগাবৰ দিহা কৰা হৈছে। পৈতান নগৰৰ উপকণ্ঠত সদায় জাবৰ-জোথৰ জ্বলোৱা হয়। তাত এখন ৰেস্তৰাঁ (ৰেস্টাউৰ্যাণ্ট) সজোৱা হৈছে। এইখন ৰেস্তৰাঁ ১২০ ফুট উচ্চতাত স্থাপিত। এই ৰেস্তৰাঁখন ধোঁৱাৰ চাৰিওফালে পাক খাই থাকিব; এই ৰেস্তৰাঁত এশজন মানুহ বহিব পাৰিব। ৰেস্তৰাঁৰ ওপৰৰ কক্ষত বাৰটা দূৰবীন আৰু দূৰবীক্ষণ যন্ত্ৰ থাকিব। এই ৰেস্তৰাঁৰ নিৰ্মাণ যেতিয়া সমাপ্ত হ'ব, তেতিয়া এইখনেই হ'ব জগতৰ প্ৰথম-খন অদ্বিতীয় আকাশত চাং পতা চাহৰ দোকান !

আগ নাবাঢ়ক, হেঁাহকা দিয়ক

চীনদেশত প্ৰায় চল্লিছ লাখ নৰ-নাৰী গুহাতে থাকে। হয়, কথাষাৰ কেনেবা কেনেবা যেন লাগিলেও সঁচাকৈয়েই সঁচা। কিন্তু এই নৰ-নাৰীসকল সেই বুলি গুহা-মানৱ মানৱী নহয়। তেওঁলোকেও কাম-বন বিচাৰি চহৰলৈ ঢাপলি মেলে; কিন্তু নগৰ-চহৰত নাথাকে, থাকি ভাল পায় সেই গুহাতে। সম্ভৱতে চীন-চৰকাৰে এই গুহাবোৰক যথাসম্ভৱ আধুনিক সুখ-সুবিধাযুক্ত গুহা-আবাসলৈ ৰূপান্তৰিত কৰাৰ বিৰাট পৰিকল্পনা হাতত লৈছে, আৰু ইতিমধ্যেই এই ৰূপান্তৰৰ কাম আৰম্ভ কৰিছে। চীন-চৰকাৰে ভাবি-গুণি চাই-চিঁতি এই সিদ্ধান্তলৈ উপনীত হৈছে যে—চৰাইৰ বাহৰ দৰে 'ফ্ল্যাট'-তকৈ এই গুহা-আবাস ভালেগুণেই ভাল আৰু এইসকল মানুহবো মনে-খোৱা মূৰৰ ওপৰৰ চাল। ইতিমধ্যেই—গানছু,হেনান, পানছি আদি ঠাই গুহা-ফ্লেট বনোৱা হ'লেই আগলৈ 'গুহা-জীৱনেই শ্ৰেষ্ঠ জীৱন' বুলি প্ৰচাৰ কৰা নহ'ব বুলি কোনে ক'ব পাৰে ?

ভাৰতৰ বৃক্ষৰাজি

ঔ

'ভাৰতৰ বৃক্ষৰাজি' শীৰ্ষক যিবোৰ বৃক্ষৰ কথা আমি প্ৰকাশ কৰিছোঁ, সকলো বৃক্ষ ভাৰতৰ নহয়। বহুতো বৃক্ষৰ মূল উৎপাদক দেশ ভাৰতৰ বাহিৰতো হ'ব পাৰে, কিন্তু কালক্ৰমে সেইবোৰ বৃক্ষ ভাৰতত বিস্তাৰিত হৈ ভাৰতীয় জল-বায়ুত অভ্যস্ত হৈ ভাৰতীয় হৈ পৰিছে।

এই ঔ টেঙাৰ বৃক্ষও তেনেকুৱা এজাতি বৃক্ষ, যদিও আজিৰ আমি ঔ-টেঙাক আমাৰ বুলিয়েই জানো। উদ্ভিদবিদ্যাত ঔ-বৃক্ষৰ নাম হ'ল—ডিল্লেনিজ ইণ্ডিকা (Dillenis Indica) বা চালিতা (the Chalita)।

হিন্দী ভাষাত 'চল্‌তা', বাংলাত 'চালতে', মলয়ালমত 'চলিতা', ওড়িয়াত 'চলোতা', গুজৰাটীত 'কাৰংবাল', মৰাঠীত 'কৰ্মাল', কন্নড়ত 'বেট্টদ', তেলুগুত 'পেদ্দ কালিংগা' বুলি কোৱা হয় আৰু অসমীয়াত —ঔ-ৰ কথা আৰু ক'ব লাগিছেনে? অসমীয়া ঔ—খায়ো, পাৰেও।

বহল দীঘলীয়া খহটা পাতেৰে ঔ হ'ল এবিধ ডাঙৰ গছ আৰু তাৰ ফল; বখলা-বখল পাতি ফলৰ মঙহ ধৰে আৰু তাৰ ভিতৰত এটা বিজলৰ বাহ থাকে। বখলাবিলাক থেঁতালি শুকুৱাই তাৰ গুৰি উলিয়াই শুকানে বা গুৰৰ লগত খায়, কেঁচাও খায়, আঞ্জাতো দিয়ে। এই গছ ১০—২০ মিটাৰলৈ বা ততোকৈ ওখ হয়।

বছৰৰ জুন-জুলাই মাহত ঔ-গছত বগা বৰণৰ ডাঙৰ সুগন্ধী ফুল ফুলে।

আমাৰ ভাৰতৰ পশ্চিমদিশীয়া ৰাজ্য কিছুমানত ডিল্লেনিজ জাতিৰ ঔ-গছত প্ৰায় কলৰ কুঁহিপাতৰ আকাৰৰ পাতো পৰিলক্ষিত হয়।

বলাকি

ভাৰতৰ প্ৰাচীনকালৰ মুনি-ঋষিসকল আছিল জিজ্ঞাসু-অনুসন্ধিৎসু। জ্ঞানৰ দীপ অন্তৰত সদা-সৰ্বক্ষণ জ্বলি থাকক, এইসকল মহাত্মাই ইয়াকে বিচাৰিছিল আৰু নিজক তথাপি অজ্ঞানী বুলি গণ্য কৰিছিল।

কিন্তু মুনিকুমাৰ বলাকিৰ স্বভাৱ আছিল বেলেগ। বিদ্যাভ্যাস সমাপ্ত হোৱাৰ লগে লগে বলাকিয়ে নিজক সৰ্বজ্ঞানী বুলি ভাবিছিল। তেওঁ ভাবিছিল : যেইকোনো ডাঙৰবো ডাঙৰ জ্ঞানীকো মই জ্ঞান প্ৰদান কৰিব পাৰোঁ, সেই ক্ষমতা মোত আছে। এই দম্ভৰ কাৰণে সকলোৱে বলাকিক গৰ্বী-বলাকি বুলি আঁৰত চৰ্চিছিল।

কাশীৰ ৰজা আছিল জিজ্ঞাসুমনৰ ব্যক্তি। জ্ঞানসমুদ্ৰৰ এটিমাত্ৰ বালিকণাও তেওঁ বুটলিব পাৰিছিল বুলি নাভাবিছিল। কাশীৰ ৰজাৰ জ্ঞানলিপ্সাৰ কথা বলাকিয়ে জানিলে আৰু কাশীৰাজক বলাকিয়ে ক'লে যে—আপোনাক লাগিলে মই ব্ৰহ্মজ্ঞান দিব পাৰোঁ।

এই কথাত কাশীৰাজ সন্তুষ্ট মনেৰে সন্মত হ'ল আৰু বলাকিয়ে বিবোৰ মন্ত্ৰ, শ্লোক ক'বলৈ ধৰিলে. বলাকিয়ে ক'বলৈ নৌপাওঁতেই কাশীৰাজ সেইবোৰ মন্ত্ৰ-শ্লোক ব্যাখ্যাৰে সৈতে বলাকিক বুজাই দিবলৈ ধৰিলে। তেতিয়া বলাকিৰ জ্ঞানোদয় হ'ল, তেওঁ বুজি পালে যে—কাশীৰাজ মহাজ্ঞানী। বলাকি অতিশয় লজ্জিত হ'ল আৰু কাশীৰাজৰপৰা ক্ষমাভিক্ষা কৰিলে আৰু তেওঁৰ শিষ্যত্বও গ্ৰহণ কৰিলে।

এদিন কাশীৰাজে এজন সুষুপ্ত মানৱলৈ আঙুলিয়াই বলাকিক সুধিলে যে সুষুপ্তাৱস্থাত মানৱৰ চেতনা ক'ত থাকে ? বলাকিয়ে এই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে। তেতিয়া ৰজাই বলাকিক বুজাই ক'লে, "সুষুপ্তাৱস্থাত, অৰ্থাৎ গাঢ় নিদ্ৰাত চেতনা নাথাকে, মানৱে তেতিয়া অনিৰ্বচনীয় তুৰীয় আনন্দ (ব্ৰহ্মলীনতা) অনুভৱ কৰে, আৰু মানৱৰ আত্মা ঈশ্বৰত সঞ্চাৰিত হয়। কোনোবা মানৱে যদি জাগ্ৰত অৱস্থাতো তেনেহেন তুৰীয় আনন্দ উপলব্ধি কৰে, তেওঁক প্ৰকৃততেই আত্মজ্ঞানী বুলি ক'ক পাৰি।"

জানিবলগীয়া

১. 'কথাসৰিৎসাগৰ'ৰ ৰচয়িতা কোন ?
২. ডিনামাইটৰ প্ৰধান ৰাসায়নিক পদাৰ্থ কি ?
৩. হোমাৰ, মিল্টন, হেলেন কেলাৰ, বেদ মেহটা প্ৰমুখৰ মাজত মিল কিহত ?
৪. ভাৰতৰ সংবিধানত থকা সম্পত্তিৰ অধিকাৰ তথা প্ৰাথমিক অধিকাৰৰপৰা কোন ধাৰাৰ সংশোধন কৰা হৈছে ?
৫. 'ভাৰতীদাস' নামৰ লেখক তথা ৰাজনীতিজ্ঞজনৰ নাম কি ?
৬. 'ম্যাগছেৎছে'-বঁটা পোৱা প্ৰথমগৰাকী ভাৰতীয় কোন ?
৭. ন'বেল শান্তি-বঁটা পোৱা প্ৰথমখন সন্থাৰ নাম কি ?
৮. ডিছেমবাৰৰ ১০ তাৰিখে ন'বেল-বঁটা প্ৰদান কৰা হয়। এই তাৰিখৰ বিশেষত্ব কি ?
৯. 'লিবাৰ্টি' মূৰ্তিৰ পৰিকল্পক কোন ?
১০. ৰাষ্ট্ৰসংঘত অনুমোদিত ভাষা কি কি ?
১১. ৰাষ্ট্ৰসংঘৰ 'চনদ' কেতিয়াৰপৰা স্থিৰ কৰা হৈছিল ?
১২. নিৰাপত্তা-পৰিষদত স্থানলাভৰ বাবে ভাৰতে কেতিয়া আবেদন কৰিছিল ?
১৩. 'ৰেভিনিউ ষ্টাম্প'ৰ আত্মকথাৰ ৰচয়িতা কোন ?
১৪. ভাৰতৰ সৰ্বপ্ৰথম ৰাষ্ট্ৰীয় পথ কোনখন পথ ?
১৫. ভাৰতৰ কোনখন ৰাজ্যত ইংৰাজি ৰাজভাষাৰূপে স্বীকৃত ?

জানক

১. সোমদেৱ।
২. নাইট্ৰ' গ্লিজৰিন।
৩. দৃষ্টিহীন, কিন্তু লেখক।
৪. ১৯৭২ চনৰ ৪৪তম সংশোধন।
৫. অটলবিহাৰী বাজপায়ী।
৬. আচাৰ্য্য বিনোবা ভাবে।
৭. বেলজিয়ামৰ আন্তঃৰাষ্ট্ৰীয় আইন-সন্থা।
৮. পৃথিবীৰ মানৱকুলৰ অধিকাৰ-দিৱস।
৯. ফ্ৰেডাৰিক অগষ্টে বাৰ্তিভি।
১০. আৰবীয়, চীনা, ইংৰাজি, ফ্ৰেঞ্চ, ৰুশ্ আৰু স্পেনীয়।
১১. অকট'বাৰ ২৪, ১৯৪৫ চন।
১২. অকট'বাৰ ৬, ১৯৯৫ চন।
১৩. অমৃতা প্ৰীতম।
১৪. দিল্লীৰপৰা চণ্ডীগড়লৈ।
১৫. নাগাল্যাণ্ড।

মূতুৰা

জগৎবল্লভ নামৰ শিক্ষক এজন চহৰলৈ গ'ল। এয়ে তেওঁৰ জীৱনত প্ৰথম চহৰ-চফৰ। চহৰ পাই থকা-মেলাৰ বাবে হোটেল এখনত উঠিল। তাত তেতিয়া বৰ হৈ-হাল্লা চলি আছিল। কিছুমানে তাচপাত খেলি আছিল, কিছুমানে মদ খাই আছিল, আৰু কিছুমান মদপীয়ে গাহৰিৰ দৰে মজিয়াত বাগৰি বাগৰি গোঁ-গোঁৱাই আছিল। শিক্ষকজনে ভাবি উলিয়াব নোৱাৰিলে যে এইখন হোটেলইনে মদৰ আড্ডা। হঠাৎ কোনোবা এটাই চিঞৰি উঠিল, "আহি গ'ল আহাৰছেদ!"

বচ্, যিমান মদাহী আৰু জুৱাৰী আছিল তাত—আটাইবোৰেই দুৱাৰেদি—খিৰিকীয়েদি যেৰে যেনেকৈ পাৰিলে ফৰিং-ছিটিকা দিলে। সোমালহি এজন ওখ-পাখ শকত আৱত দানহহেন মানুহ।

জগৎবল্লভে আগন্তকলৈ ডৰ-মিহলা দৃষ্টিৰে চালে। কিন্তু দানহহেন মানুহজনৰ টেৰা-বেঁকা মোচ আৰু ৰঙাবো ৰঙা চকুলৈ চাই থাকিব নোৱাৰি চাৱনিক নমাই ল'লে। মানুহজনে চিঞৰি চিঞৰি জগৎবল্লভক ক'লে, "পিয়াহ লাগিছে, পিয়াহত অণ্ঠকণ্ঠ শুকাল—সৌ মেজৰ ওপৰত পানী আছে, দিয়া।"

জগৎবল্লভে দানহহেন মানুহজনৰ আদেশ পালন কৰিলে। মানুহজনে ঘোট ঘোটকৰে পানীখিনি মুহূৰ্ততে গিলি খোৱা দেখি জগৎবল্লভে কঁপা কঁপা মাতেৰে সুধিলে, "আ-আ-আৰু পা-পানী দিওঁনে?"

"পানী ভি মাংতা, খানা ভি মাংতা—। কিন্তু ঐ কলাৰ পো কলা, তই যে ভোজ দিছ—মোমাই অহাৰ খোজৰ শব্দ শুনিছনে নাই?" এই বুলি কৈয়েই চকুৰ পচাৰতে ফেঁটীৰ মূৰ ছিঙা লৰ দি পলাল।

আন এজন চুটি-চাপৰ মানুহ হোটেলৰ দুৱাৰেদি লাহেকৈ সোমাই আহিল। তেওঁৰ লগতে কিছুমান চিপাহীও আছিল। চুটি-চাপৰ মানুহজনে চিপাহী কেইজনক ক'লে, "আমি অহাৰগোন্ধ পাই সিহঁত পলাল। তোমালোকে সিহঁতক ধৰি আনাগৈ। মই এই হোটেলৰ মালিকক গ্ৰেপ্তাৰ কৰি লৈ যাম।"

জগৎবল্লভে উপলব্ধি কৰিলে যে—মানুহে অপৰিসীম শক্তিৰ অধিকাৰী প্ৰকৃত দানৱৰ লগতেও যুঁজিব পাৰে, কিন্তু প্ৰকৃত ক্ষমতাৰ অধিকাৰীৰ আগত সেই দানৱো মূতুৰা হৈ পৰে।



আখা ইচ্ছাই চৰু

মহেন ৰাওনা হ'ল। চহৰলৈ। বাটত খোৱাৰ নিমিত্তে ঘৈণীয়েক মাতুলে পাঁচখন ৰুটি আৰু গুৰ টোপোলা এটাত দিছিল। চহৰ বহুত দূৰ। হাবি বন পাৰ হৈ যাব লাগিব। ভোক লাগিবই।

হবিৰ মাজেদি গৈ থাকোঁতে হঠাৎ এজন যুৱকে মহেনক ৰখালে আৰু ক'লে, "যদি কিবা খোৱাবস্তু আছে, দিয়া।"

যুৱাৰ কথা শুনি মহেনে আচৰিত মানিলে। যুৱাৰ পিন্ধনত অতি দামী কাপোৰ-কানি। কিন্তু লেতেৰা। এই যুৱা যে কোনোবা আটায়ন্ত পৰিয়ালৰে, সেই কথাত মহেনৰ মনত সন্দেহ নাথাকিল।

এইবোৰ কথা ভাবোঁতেই যুৱাই মহেনৰ হাতেৰপৰা টোপলাটো কাঢ়ি ল'লে আৰু ৰুটিখিনি উলিয়াই লৈ খালে।

অবাক হৈ পৰা আৰু খংউঠা মহেনক যুৱাই ক'লে, "আমাৰ ঘৰ ভদ্ৰগিৰিত। মই হাবিত সোমাই ওলাবৰ বাট হেৰুৱাই পেলাইছোঁ। মোক যদি আমাৰ ঘৰলৈ লৈ যাব পাৰা, দেউতাই তোমাক ঢেৰ পুৰস্কাৰ দিবই দিব।"

নিৰুপায় মহেনে নিৰুৎসাহভাৱে হ'লেও—যুৱকক 'মাথাখাৰাপ ধৰলোকৰ ল'ৰা' বুলি ভাবি—হাবিৰপৰা ভদ্ৰপুৰলৈ লৈ গ'ল। যুৱা আছিল ভদ্ৰপুৰৰ জমিদাৰৰ একমাত্ৰ ল'ৰা আৰু কিঞ্চিত বলিয়া বুলিয়েই ক'ব পাৰি। মাঝ-মধ্যেই এনেকৈ নোহোৱা-নিপাত্তা হয়, কিন্তু গধূলিৰ আগে আগে ঘৰলৈ ঘূৰে। কিন্তু এইবাৰ কেইবাদিনো পাৰ হৈ যোৱাৰ অন্ততো ঘূৰাত হৈ-চৈ দুশ্চিন্তা কান্দোন।

'ৰহিম'



এতেকে — জমিদাৰ ডাঙৰীয়াই হেৰোৱা পুত্ৰক ফিৰাই আনা মহেনক তেওঁৰ ডিঙিত থকা মুকুতাৰ মালা দিছিল।

ইমান সাধাৰণ কথাতো ইমান দামী পুৰস্কাৰ পাব পাৰি বুলি কোনো ধাৰণাও মহেনে কৰিব পৰা নাছিল। মহেনে পুৰস্কাৰ পাই চহৰলৈ যোৱাৰ ইচ্ছা এৰি গাঁৱলৈ গৈ থাকিল।

গাঁৱৰ সীমা পায়েই গোবিন্দৰ সৈতে দেখাদেখি। আস্তব্যস্ত হৈ খৰখেদাকৈ গৈ থকা গোবিন্দক মহেনে হাত দাঙি ৰখালে, আৰু ক'লে, "এয়া চোৱা, মোৰ ডিঙিত মুকুতাৰ মালা! কোনে দিলে জানানে? ভদ্ৰগিৰিৰ জমিদাৰ ডাঙৰীয়াই। মোৰ গুণৰ শলাগ লৈ দিলে মোক।"

গোবিন্দই প্ৰায় নুশুনাৰ দৰেই মহেনৰ কথাকেইটা আধাশুনাকৈ শুনি ক'লে, "ইপিনে—লক্ষ্মণৰ ছোৱালীৰ যে বিয়া—শুনিছানে? গাঁৱৰ সকলোৱে এই বিয়াৰ কথা শুনি বৰ ভাল পাইছে। ময়ো তালৈ গৈ আছোঁ, মই যি পাৰোঁ যিমান পাৰোঁ হাত উজান দিম বুলি কৈ আহাৰ বাবে। তুমিও যাবা যদি ব'লা।"

কিন্তু মহেনে ক'লে যে তাৰ জৰুৰী কাম আছে, গতিকে সি যাব নোৱাৰে।

আৰু অলপমান যোৱাৰ পাছত গাঁৱৰে শিক্ষক পূৰ্ণানন্দ গোহাঁইৰ লগত দেখা-দেখি। মহেনে তাৰ ডিঙিত থকা মুকুতাৰ মালা পূৰ্ণানন্দ শিক্ষকক দেখুৱালে আৰু ক'লে, "এই মালাডাল যেনতেন মণিয়াৰী মাল বুলি নাভাবিবা, আচ্‌চল মুকুতাৰ মালা। মোৰ গুণৰ শলাগ লৈ ভদ্ৰগিৰিৰ জমিদাৰ ডাঙৰীয়াই দিলে মোক।"

"হয়নেকি, অ'—? ভাল কৰিলে।" পাছ মুহূৰ্ততে পূৰ্ণানন্দ শিক্ষকে পুনৰ ক'লে, "আমাৰ গাঁৱৰ ৰামশাস্ত্ৰীক তেওঁৰ পাণ্ডিত্যৰ বাবে দেশৰ ৰজাই যে ৰাজসভাত ৰাজহুৱাকৈ আদৰ-সম্বৰ্ধনা জনালে—জানাই নহয়? ৰামশাস্ত্ৰী ডাঙৰীয়া ৰাজধানীৰপৰা ফিৰি আহিল। তেওঁক চাবলৈ গৈ আছোঁ, তুমিও যাবানে কি?"

এই কথাত মহেন মুখ-থেকেচা খোৱা যেন হ'ল যে—তাৰ মুকুতাৰ মালাৰ

বিষয়ে একো-এটাও নুসুধি পূর্ণানন্দ বোলাটোরে ক'ৰবাৰ কোনোবা ৰামশাস্ত্ৰীৰ কথাতহে আনন্দ প্ৰকাশ কৰিছে। গতিকে সি'মই যাব নোৱাৰোঁ' বুলি কৈয়েই পুনৰ খোজ বঢ়ালে।

তাৰ পাছত লগ পালে ধনশৰ্মাক। ধনশৰ্মাই খৰখুজীয়া হৈ গৈ আছিল, কিন্তু মহেনক দেখা পাই ৰ'ল আৰু মহেনে একো নৌ সোধোঁতেই মহেনৰ কুশল-মংগল সোধা হ'ল। মহেনে এই কথাত ভাল পালে। ধনশৰ্মাই মহেনক সুধিলে, "এই মুকুতাৰ মালা— এই অতি দামী মুকুতাৰমালা—কিমান দামোৰ কিনিল?"

নিজৰ কথা নিজে কোৱাৰ আগতেই ধনশৰ্মাই মুকুতাৰ মালাৰ বিষয়ে সোধাত বৰ ভাল পাই মহেনে ক'লে, "এই মালা মোৰ গুণৰ শলাগ লৈ ভদ্ৰগিৰিৰ জমিদাৰ ডাঙৰীয়াই উপহাৰ হিচাপে দিলে।"

বহু, ধনশৰ্মাই এই বিষয়ে আন কোনো কৌতূহল প্ৰকাশ নকৰি অন্য কথালৈ বাগৰিলে, "শুনিছাই নিশ্চয়, আমাৰ গাঁৱৰ বিবেক হালোৱাৰ মাটিখিনি পানীৰ অভাৱত শুকাই খৰখৰীয়া মাৰিছিল, সেই মাটি একেবাৰে ছনপৰাহেন হৈ পৰিছিল। সম্প্ৰতে বিবেকৰ ঘৰৰ চোতালত কুঁৱা খান্দি পানী পোৱা গ'ল। এতিয়া তাৰ দুখৰ দিন উকলিল। মই তালৈ যাবলৈ ওলালোঁ, তুমিও যাবা যদি ব'লা।"



মহেনৰ ভুকুযুৰি কোঁচ খাই পৰিল। ধনশৰ্মাও যি দেখিছোঁ জাকৰেই চৰাই। মহেন কোঁ কোঁ কৰে আগবাঢ়িল।

ঘৰ পাই ঘৈণীয়েকক কিছু-কিঞ্চিত ডাল যোৱা দি হ'লেও — মোটামুটি হোৱাখিনিকে মহেনে ক'লে।

শুনি ঘৈণীয়েকে ক'লে, "বৰ "ভাগ্যৰ কথা। সকলেপৰাই মোৰ বৰ চখ— মুকুতাৰ মালা পিন্ধিম। যেনে ধৰণেৰেই হওক, মোৰ সকলীয়া চখ এইবাৰ ভগমানে পূৰালে।"

"এই কথা-কাণ্ডৰ মাজত ভগমাননো কোনখন ধুবুৰীৰপৰা আহিল? আৰু এই মালা—মটা মানুহেহে পিন্ধা. তিৰোতাই পিন্ধা মালা দোচোৰা। আৰু মোৰ গুণৰ

শলাগ লৈ স্বয়ং জমিদাৰ ডাঙৰীয়াই ডিঙিৰ মালা মোক তেওঁৰ দিলে, পিন্ধিমো মইহে।" মহেনে মকমকালে।

"কিনো তোমাৰ সেই পাচিয়ে পাচিয়ে গুণ? তুমি সেই ভোকাতুৰ ডেকামানুহজনক কটি এখনমানো দিয়া নাছিলা, তেওঁ কাঢ়িহে খালে। তাৰ পাছত—সেই যুৱাক তালৈ লৈ গ'লা, বছ, তোমাৰ গুণৰ পাচি সিমানতে থ'ল। আচলতে—আখা ইচ্ছাই যে চক্ৰ হ'ব লাগে তুমি নাজানাই। যদি সঁচা ক'ব লাগে, মালাধাৰ মোৰেই প্ৰাপ্য, কিয়নো মই তোমাক কটি-গুৰ নিদিয়াহেঁতেন এইবোৰৰ একোৰেই নঘটিলহেঁতেন।" ঘৈণীয়েকে ক'লে।

"গাঁৱৰ চকুচৰহাবিলাকৰ দৰে তুমিও, —তোমাৰ মনতো মোৰ বিৰুদ্ধে ঈৰ্ষাৰ জ্বলনি-পোৰণি।" মহেনে মৰদ কহলালে।

"গাঁৱৰ মানুহে তোমালৈ ঈৰ্ষাহে কৰেনে? যদি কৰে—কিয় কৰে? তুমি গুণৰ সাগৰ?" ঘৈণীয়েকে ঘেং কৰিলে।

তেতিয়া মহেনে গাঁৱৰ সীমা পোৱাৰ পাছৰপৰা যি ঘটি ছিল সকলো কথা ভাঙি-পাতি কৈ দিলে। মহেনে ক'লে, "এক দুই তিনি নহয়, সাতজনমানৰ সৈতে মোৰ দেখাদেখি হৈছিল—আটাইবোৰ শিয়ালৰ একেই ৰাও।"

"লোকৰ ঈৰ্ষাৰ জ্বলনি-পোৰণি চকুচৰহামিক দেখা পাইছা, নিজৰ জগৰখিনি দেখা নাপাইছানো কেলেই? এই যে তুমি গাঁৱলৈ ঘূৰি কিমান কেইজনৰ সুভাগ্যৰ কথা শুনিছিলা, তুমিও কাৰো কথাতে আনন্দ প্ৰকাশ কৰিছিলানে? গৈছিলানে



তেওঁলোকলৈ অভিনন্দন জনাবলৈ? কৈছিলানে এযাৰ মিঠা কথা?—আচলতে ঈৰ্ষাৰ জ্বলনি তোমাৰ মনত হয়নে নহয় ভাবি চোৱা।"

ঘৈণীয়েকৰ কথাখিনিয়ে মহেনৰ মুখত যেনিবা লেকাম লগাই দিলে। ঘৈণীয়েকে পুনৰ ক'লে, "তোমাৰ মনত আনকি—মোলৈকো—তোমাৰ নিজৰ পৰিবাৰলৈকো ঈৰ্ষা, পৰিবাৰলৈকো তোমাৰ মনত মৰমৰ ধৰম নাই।"

মহেনে তৎক্ষণাৎ মালাধাৰ ডিঙিৰপৰা সোলেকাই লৈ ঘৈণীয়েকক দিলে আৰু ক'লে, "মই এই মালাধাৰেৰে কি কৰিম? মই তোমাকেই দিলোহেঁতেন।"

মহেনহেন মানুহজনৰ মুখত হেন কথা শুনি ঘৈণীয়েক মনমোহিনীয়ে আচৰিত মানিলে আৰু ক'লে, "মোৰো বৰ ভুল হ'ল, তোমাৰ ৰং-ধেমালিলৈ মন নগ'ল, মন গ'ল কেৱল মুকুতাৰ মালালৈ। আচলতে—তোমাৰ বুদ্ধিৰ আগত মইনো কি? খেৰ-কুটাও নহওঁ। ভদ্ৰগিৰিৰ জমিদাৰে তোমাক এনেয়ে ইমান মূল্যৱান উপহাৰ দিলেনে? মোৰ কিমান পুণ্যৰ ফলত যে তোমাৰ নিচিনা পতি পালোঁ।"

ঘৈণীয়েকৰ কথাত মহেনৰ মনত অকস্মাৎ এক বেলেগ ভাব জাগি উঠিল। মহেনে আস্তব্যস্ত হৈ তেতিয়াই লক্ষ্মণৰ ঘৰলৈ গৈ তাৰ ছোৱালীৰ বিয়াত হাত-উজান দিবৰ প্ৰতিশ্ৰুতি দিলে, পণ্ডিত ৰামশাস্ত্ৰীৰ ঘৰলৈ গৈ তেওঁৰ পদধূলা লৈ সন্মান জনালে, বিবেক হালোৱাৰ ঘৰলৈ গৈ বিবেকৰ দুখ-কষ্ট গুচাত আনন্দ প্ৰকাশ কৰিলে, আৰু এইদৰেই—সমাজৰ অন্যান্য ভাল কামতো ভাগ লোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিলে।

আৰু তেতিয়া তাক ভদ্ৰগিৰিৰ জমিদাৰে উপহাৰস্বৰূপে দিয়া মুকুতাৰ মালাৰ বিষয়ে খবচি মাৰি জানিবলৈ আগ্ৰহ প্ৰকাশ কৰি গাঁৱৰ ৰাইজেও মহেনৰ সদগুণৰ শলাগ ল'লে।



সপোন আৰু জীৱন

কমলাৰ দেউতাক আছিল ধনৰ দুখীয়া। পৰিবাৰৰৰ মৃত্যুৰ অন্তত কমলাক তাইৰ দেউতাকেই মাক-দেউতাক হৈ লালন-পালন কৰিছিল। কমলাইঁতৰ সা-সম্পত্তি বোলা একো নাছিল, কিন্তু কমলা আছিল সৌন্দৰ্য্যৰ সম্পদত সম্পদৱতী। যেতিয়া গাভৰু হ'ল, তাই সপোন সাজি থাকিল যে কোনোবা সৌন্দৰ্যপিয়াসী জমিদাৰে, বা কোনোবাখন সৰুসুৰা দেশৰ ৰজাই হয়তো তাইৰ বিয়া কৰাই লৈ যাব, আতোল-তোলকৈ, আতলি-পুতালিকৈ ৰাখিব, তাইক জীৱন সপোনত হৈ উঠিব।

কিন্তু যেতিয়া কুশলদত্তক কমলাই বাধ্যত পৰি বিয়া কৰালে, তাইৰ সপোন খানবান হল—-আৰু এদিন শুভ-দিন-বাৰ চাই কুশলে-মংগলে কুশলৰ সৈতে তায়ো চহৰলৈ বুলি যাত্ৰা কৰা হ'ল।

চহৰত কুশলৰ নিজা ঘৰ। খোৱা-পিন্ধাৰ কোনো অভাৱ নাই, অভাৱ নাই কমলাক ভালপোৱাৰ, মৰম কৰাৰ। কিন্তু তথাপি কমলাৰ মন উকা-উকা। সদা-সৰ্বক্ষণেই তাইৰ মনত বেজাৰ। সকলো থাকিও একো নথকা যেন লাগে তাইৰ কিন্তু তাই তাইৰ এই সুখৰ মাজতো দুখৰ কথা কুশলক নকয়।

এদিন কুশলৰ বন্ধু এজনৰ বিয়াৰ নিমন্ত্ৰণলৈ যোৱাৰ কথাত কমলাই গিৰিয়েক কুশলক ক'লে, "কেনেকৈনো যাম মই আপোনাৰ বন্ধুৰ বিয়ালৈ ? মোৰ কোনো গহনা-পাতিও নাই, আনকি এখন ভাল শাড়ীও নাই পিন্ধি যাবলৈ। সকলোটিৰ আগত হাঁহিয়াতৰ পাত্ৰী হ'বলৈ

ৰূপালী ৰায়চৌধাৰী

কিয় যাম মই? আপুনি যায় যদি যাওক—মই বিয়ালৈ নেযাওঁ।"

কুশলে কমলাৰ কথাৰ কোনো উত্তৰ নিদিয়াকৈ পোনে পোনেই দোকানলৈ গৈ এখন নীলা ৰঙৰ ধুনীয়া শাড়ী কিনি লৈ আহিল আৰু শাড়ীখন কমলাক দিলে আৰু ক'লে, "কমলা, তোমাৰ সৌন্দৰ্য্যৰ আগত সাজ-পাৰ আ-অলংকাৰ—সকলো তেনেই নগণ্য। তথাপি, তি ৰো তা এগৰাকীক— তেনেবোৰ ঠাইলৈ যাবলৈ যে কিঞ্চিত গহনা-পাতি লাগে—ময়ো অস্বীকাৰ নকৰোঁ। ঠিক আছে—কাম এটা কৰা যাওক।" কুশলে কওঁ-নকওঁকৈ কথাটো কমলাক কৈয়েই পেলালে, "তুমি যদি বেয়া নোপোৱা—আমাৰ চুবুৰীয়া প্ৰমীলাৰপৰা হাৰ এধাৰ খুজি আনাগৈ দুই-তিনি দিনৰ কাৰণে।"

গিৰিয়েকৰ প্ৰস্তাৱত কমলাই ভাল নাপালে, তথাপি প্ৰমীলাক ক'লেগৈ কথাটো। প্ৰমীলাই তাইৰ গহনাৰ বাকচটো চন্দুকৰপৰা উলিয়াই আনি কমলাক দিলে আৰু ক'লে যে তাইৰ যিকেই পদ ইচ্ছা গহনা লওক। কিন্তু কমলাই মাত্ৰ চন্দ্ৰহাৰ এধাৰকে ল'লে।

তাৰ পাছত কুশল-কমলা বন্ধুৰ ঘৰলৈ বিয়া খাবলৈ গ'ল আৰু বিয়া হৈ যোৱাৰ পাছদিনাই পতি-পত্নী চহৰলৈ উভতি আহিল আৰু আহিয়েই প্ৰমীলাৰ চন্দ্ৰহাৰ ঘূৰাই দিবলৈ সৰু পেটাৰিটো খুলিলে। কিন্তু পেটাৰিটোৰ ভিতৰত সেই চন্দ্ৰহাৰ বিচাৰি নাপাই চিঞৰি দিলে।

কুশলে কমলাক সুধিলে যে তাই

ক'ৰবাত বা অন্য কিবা কাৰণত চন্দ্ৰহাৰ ডিঙিৰপৰা সোলোকাই থৈছিলনে কি? কিন্তু কমলাই তেতিয়া একোৱেই ভালকৈ মনত পেলাব নোৱাৰিলে।

তেতিয়া কুশলে কমলাক সান্ত্বনা দিলে আৰু ক'লে, "এতিয়া চন্দ্ৰহাৰ বিচাৰি তালৈ গৈও কোনো লাভ নহ'ব। ইমান মানুহৰ মাজত চন্দ্ৰহাৰ কোনে নিলে কোনে ক'ব? কিন্তু কথা হ'ল যে চন্দ্ৰহাৰ হেৰাই যোৱাৰ কথা তেওঁ বিশ্বাসেই নকৰিব, তেওঁ আমাকহে সন্দেহ কৰিব। এতিয়া—" কুশলে কিছু সময়লৈ ভবা-গুণা কৰাৰ অন্তত পুনৰ ক'লে, "এতিয়া মাত্ৰ এটাহে উপায় আছে। মই মোৰ চাকৰিস্থলৰপৰা কিছুখিনি টকা উধাৰ হিচাপে লৈ, আৰু সেইখিনি টকাৰে সাইলাখ তেনেকুৱা চন্দ্ৰহাৰ এধাৰ বিচাৰি উলিয়াই কিনি লৈ—প্ৰমীলাক একো নোকোৱাকৈ দিব লাগিবগৈ।

কুশল তেতিয়াই ওলাল, আৰু কেইঘণ্টামানৰ অন্তত পুনৰ ঘৰলৈ উভতি আহিল। কুশলে কমলাক ক'লে, "মই আমাৰ ঘৰটো বন্ধকত থৈ আন এঠাইৰপৰাও কিছুখিনি টকা ল'লোঁ। চন্দ্ৰহাৰ কিনিবলৈ কাইলৈ আমি ওলাম।"

পাছদিনা, পতি-পত্নীয়ে ভালেকেইখনমান দোকানলৈ গ'ল, কিন্তু তেনেকুৱা চন্দ্ৰহাৰ নাপাই হতাশ হ'ল। তাৰ পাছত এখন দোকানত হুবহু প্ৰমীলাৰ চন্দ্ৰহাৰৰ দৰে চন্দ্ৰহাৰ পাই লগে লগে কিনি ল'লে।

সাঁজ লাগি ভগাৰ পাছত কমলাই প্ৰমীলাক চন্দ্ৰহাৰ ঘূৰাই দিলেগৈ।

কেইদিনমানৰ পাছত কমলাই সিহঁতৰ ঘৰৰ কাম-বন কৰা মানুহজনীক আৰু খেতি-পথাৰত কাম কৰা মানুহ এজনকো কামৰপৰা একৰাই দিলে, আৰু সেইবোৰ কাম-কাজ নিজেই চম্ভালি থাকিল। কমলাই সিহঁতৰ ঘৰৰ পিছফালে ইমান দিন ধৰি এনেয়ে পৰি থকা মাটিত বিধোবিধ পাচলিৰ খেতি কৰিবলৈ ধৰিলে আৰু সেইবোৰ পাচলি বজাৰৰ বেপাৰীহঁতক বেচি ভালেখিনি ধন ঘটিব পাৰিলে। এই কামত কুশলেও সহায় কৰিছিল।

এইদৰে যেতিয়া পাঁচ বছৰ পাৰ হ'ল, তেতিয়া, দিনে-নিশাই পৰিশ্ৰমৰ ফলত কমলাৰ দেহ-সৌন্দৰ্য্য কিছু কমিল, কিন্তু মনৰ সৌন্দৰ্য্য তথা উৎসাহ যথেষ্ট বাঢ়িল, আৰু জীৱন যে দৰাচলতে সপোন নহয়, সেই কথাটো তাইৰ উপলব্ধি হ'ল।

এদিন কমলাই তাইৰ বহু পৰিশ্ৰমৰ সাঁচতীয়া ধনখিনি বাকচৰপৰা উলিয়াই গন্তি কৰি আনন্দত চিঞৰি উঠিল। কমলাই কুশলক কৈ থাকিল যে—এই সাঁচতীয়া ধনেৰে চাকৰিস্থলৰ কৰ্জাৰ ধন আৰু ঘৰ-বন্ধকীৰ ধনো সুতে মূলে পৰিশোধ কৰিব পৰা হ'ব।

কুশলে ক্ষন্তেকমানলৈ থমকি ৰৈ তাৰ পাছত ক'লে, "কমলা, মোক যদি ভুল নুবুজা— কথা এটা কওঁ—। আজি তোমাৰ এই আনন্দৰ দিনত তোমাক সঁচা কথা এখিনি ক'ম বুলি ভাবিছোঁ।"

"কওকচোন—সেই সঁচাখিনি কি?"

কমলাৰ প্ৰশ্নৰ উত্তৰত কুশলে ক'লে, "সেই চন্দ্ৰহাৰ বিয়াঘৰৰপৰা কোনেও চুৰ কৰা নাছিল। তুমি গা-ধোৱা কোঠাত সোলোকাই থৈ আহিছিলা। তোমাৰ গা-ধোৱাৰ পাছত মই গা-ধুবলৈ সোমাই সেই চন্দ্ৰহাৰ তাতেই পাইছিলোঁ, কিন্তু তোমাক কথাটো কোৱা নাছিলোঁ।"

অলপ থমকি পুনৰ ক'লে, "চহৰলৈ উভতি আহি সেই চন্দ্ৰহাৰ মোৰ বন্ধুৰ দোকানত থৈ দিছিলোঁ, আৰু বন্ধুক আমাৰ পতি-পত্নীৰ দন্দৰ কথা সবিস্তাৰে কৈ এই নাটকীয় কাণ্ড-কাৰ্খনা কৰাত মোৰ বন্ধুৰপৰা সহায় লৈছিলোঁ। কিন্তু আচলতে — মই কৰ্জা-উধাৰো লোৱা নাছিলোঁ, বা আমাৰ ঘৰটোও বন্ধকত থোৱা নাছিলোঁ। এতেকে — তোমাৰ এইখিনি শ্ৰমৰ ধন তোমাৰেই থাকিব, আৰু এতিয়া তুমি তোমাৰ শ্ৰমলব্ধ ধনেৰে তোমাৰ মনে-খোজা গহনা-পাতি কিনিব পাৰিবা। মনৰ সুখ পাবলৈ হলে শ্ৰমৰ কোনো বিকল্প নাই।"

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব।

S.G. SESHAGIRI



S.G. SESHAGIR

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল পোষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৬ চনৰ ডিচেম্বৰৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : লঠঙা বিৰিখৰ মেলা

দ্বিতীয় ফটো : নঙঠা শিশুৰ খেলা

পাওঁতা : উমি ডেকা * খানাপাৰা-ছয় মাইল * গুৱাহাটী ৭৮১০২২

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ১২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras - 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA

Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

এল আই চি মানেই হ'ল সুৰক্ষা



ক্রিকেট খেলোতে যদি তোমাৰ গালৈ বলটো খুউব জোৰত ওফৰি আহে, তোমাৰ গ্ল'ভ্‌চে কেৱল তোমাৰ হাত দুখনহে বচাব পাৰিব, নহয় জানো ? কিন্তু এলআইচি অর্থাৎ লাইফ ইঞ্চিওৰেন্স কর্পৰেশ্যন-এ তোমালৈ আগবঢ়ায় গোটেই জীৱন জুৰি সম্পূর্ণ সুৰক্ষা। গতিকে মা-দেউতাক সুধি এল আই চি পলিচীৰ বিষয়ে আৰু ই তোমাকনো কেনেকৈ সুৰক্ষা দিব সেই বিষয়ে সকলো কথা ভালকৈ জানি লোৱা। মনত ৰাখিবা এল আই চি হ'ল তোমাৰ শুভ-চিন্তক।

R K SWAMY/BBDO LIC 5825 ASSM

ভাৰতীয় জীৱন বীমা নিগম

বীমা কৰক আৰু সুৰক্ষিত হওক